


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২১ ফেব্ৰুৱাৰী, ২০২৫/৮ ফাগুন ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৪৪ ● Vol - 13, Issue - 44

# সৰলপাৰা আৰু ভাৰত-ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

### বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰীৰ, মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত উন্মোচন কৰিলে নৱনিৰ্মিত ইস্কন মন্দিৰ





**দিছপুৰ ঃ** বিটিআৰৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধনৰ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিৱেশনত অংশগ্ৰহণ কৰাৰ প্ৰাকমুহূৰ্তত সৰলপাৰা আৰু ভাৰত-ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কে বুজ লোৱাৰ লগতে এই সন্দৰ্ভত আয়োজিত এক সভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা লোকসভা নিৰ্বাচনৰ সময়ত সৰলপাৰালৈ যোৱা পথটো শীঘ্ৰে সুন্দৰভাৱে নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল। তেওঁ কয় যে লোকনিৰ্মাণ বিভাগে প্ৰায় ২৭ কোটি টকা ব্যয় সাপেক্ষে এই পথটো পুনৰ নিৰ্মাণ কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে পথটো নিৰ্মাণৰ ক্ষেত্ৰত আৰু যদি অতিৰিক্ত পুঁজিৰ প্ৰয়োজন হয় তাৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰ লগত ইতিমধ্যে প্ৰস্তুত কৰা প্ৰাক্কলন সন্দৰ্ভত আলোচনা কৰি পথটো কিদৰে আৰু অধিক সুন্দৰকৈ নিৰ্মাণ কৰিব পৰা যায় তাৰ ওপৰতো ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অহা ১২ ৰ পৰা ১৮ মাহৰ ভিতৰত সৰলপাৰালৈ যাতায়াত ব্যৱস্থা অতি সুচল হৈ পৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সৰলপাৰাৰ পৰা ভূটান সীমান্ত সংযোগী পথ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগৰ পৰা বিতংভাৱে বুজ লয় আৰু সময়নিৰ্ধাৰিতভাৱে নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। পথটো সম্পূৰ্ণ হৈ উঠিলে সৰলপাৰা, উল্টাপানী, বিছমুৰি আদি অঞ্চলৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হোৱাৰ লগতে পৰ্যটনৰ ক্ষেত্ৰতো অপাৰ সম্ভাৱনা সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে। অনুষ্ঠানত বিটিচিৰ মুখ্য ১০ পৃষ্ঠাত

# অসমৰ স্বচ্ছ নিযুক্তিৰ আৰ্হি দেশৰ বহু ৰাজ্যই অনুকৰণ কৰিবলৈ আৰম্ভ কৰিছে ঃ ড° শৰ্মা

### ৫৬৪ গৰাকী প্ৰাৰ্থীক আনুষ্ঠানিকভাৱে নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ





**দিছপুৰ ঃ** স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰা অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক অনুষ্ঠানত ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু অন্যান্য সংলগ্ন সেৱাত ২০০ গৰাকী প্ৰাৰ্থী আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, সাংস্কৃতিক পৰিক্ৰমা বিভাগত বিভিন্ন পদত ৩৬৩ গৰাকী প্ৰাৰ্থীক আনুষ্ঠানিকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰে। তদুপৰি অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ অৰ্জুন বঁটাৰে সন্মানিত বিশিষ্ট ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি-পত্ৰ প্ৰদান কৰে। প্ৰতিশ্ৰুতি অনুসৰি ইতিমধ্যে ১ লাখ নিযুক্তি সম্পন্ন কৰি ৰাজ্য চৰকাৰে ডেৰ লাখ নিযুক্তিৰ দিশে আগবাঢ়ি আজি সৰ্বমুঠ ৫৬৪ গৰাকী প্ৰাৰ্থীক আনুষ্ঠানিকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ ৪৩ গৰাকীয়ে কৰ্মচাৰী বিভাগত, ৩৫ গৰাকীয়ে গৃহ আৰু ৰাজনৈতিক বিভাগত, ৯৬ গৰাকীয়ে বিত্ত বিভাগত, এগৰাকীকৈ প্ৰাৰ্থীয়ে ক্ৰমে আবকাৰী আৰু দক্ষতা তথা উদ্যমিতা বিভাগত, তিনিগৰাকীকৈ প্ৰাৰ্থীয়ে ক্ৰমে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমবায় আৰু ৰাজহ তথা দুৰ্যোগ ব্যৱস্থাপনা বিভাগত, চাৰিগৰাকী প্ৰাৰ্থীয়ে শ্ৰমিক কল্যাণ বিভাগত, এঘাৰ গৰাকীয়ে শিক্ষা (প্ৰাথমিক) বিভাগত নিযুক্তি লাভ কৰাৰ লগতে পশুপালন আৰু পশুচিকিৎসা বিভাগত ৭৩ গৰাকীয়ে, জনস্বাস্থ্য কাৰিকৰী বিভাগত ২৬২ গৰাকীয়ে আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগত ২৮ গৰাকীয়ে নিযুক্তি লাভ কৰিছে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বচ্ছ নিযুক্তিৰ সমান্তৰালকৈ ৰাজ্যৰ জনসাধাৰণক ১০ পৃষ্ঠাত

# শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত দৌল মহোৎসৱৰ আয়োজন

### অংশ লব ৰিণিকি ভূঞা শৰ্মা, পীয়ুষ হাজৰিকা, হেমন্ত চৌধুৰী

**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছি অঞ্চলৰ একমাত্ৰ উদাসীন তথা ঐতিহাসিক ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সৌজন্যত ভগৱান শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ ১৩ মাৰ্চৰ পৰা ১৫ মাৰ্চলৈ তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে সত্ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। সত্ৰখনৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত বাপজনাই জানিবলৈ দিয়া অনুসৰি ১৩ মাৰ্চৰ পুৱা ৭ বজাত স্বচ্ছ অভিযান, ৮ বজাত গছপুলি ৰোপণ কৰিব প্ৰাক্তন অনাতাৰ শিল্পী কনকলতা দাসে। ৯ বজাত দৌল মহোৎসৱৰ পতাকা উত্তোলন কৰাব উদ্‌যাপন সমিতিৰ সভাপতি তথা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই। ৯-৩০ বজাত গণেশ দাস আৰু মথুৰামোহন বৈশ্য সোঁৱৰণি মণ্ডপ উদ্বোধন কৰাব ফুলেন দাস আৰু অলকা বৈশ্যই। ১০ বজাত পিতৃ-মাতৃ পদ পখালন ভক্তি উৎসৱ। দিনৰ ১১-৩০ বজাত দৌল মহোৎসৱৰ মুখপত্ৰ 'ৰঙ্গে ফাগু খেলে' উন্মোচন কৰিব শ্ৰীমন্তশঙ্কৰদেৱ কলাক্ষেত্ৰৰ সচিব প্ৰধান সুদৰ্শন ঠাকুৰে। বন্তি প্ৰজ্বলন কৰিব সত্ৰৰ ডেকা সত্ৰাধিকাৰ উজ্বল মহন্তই। আবেলি ১-৩০ বজাত গিৰিশ চৌধুৰী সোঁৱৰণি মঞ্চ উদ্বোধন কৰিব পাৰুল চৌধুৰীয়ে। ২ বজাত বক্তৃতা প্ৰতিযোগিতা, সন্ধিয়া ৫ বজাত দৌল মন্দিৰত ৰাজহুৱা বন্তি প্ৰজ্বলন। ৬-৩০ বজাত কণ কণ শিশুৰ কৃষ্ণনৃত্য প্ৰদৰ্শন। ৭ বজাত মেজিদাহ, গোঁসাই দৌল মন্দিৰত প্ৰতিষ্ঠা আৰু আতজবাজী প্ৰদৰ্শন। উদ্বোধন কৰিব পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে। নিশা ৯ বজাত উদয়নীল মিনি থিয়েটাৰৰ দ্বাৰা যাত্ৰাভিনয়। ১৪ মাৰ্চৰ পুৱা আই-মাতৃৰ নাম প্ৰসংগ, ৯-৩০ বজাত ভকত-বৈষ্ণৱৰ নাম প্ৰসংগ। আবেলি ২ বজাত হোলীগীত প্ৰতিযোগিতা উদ্বোধন কৰিব বিজেপিৰ ১০ পৃষ্ঠাত



# উৰিয়া গাঁৱত গান্ধাৰৰ উদ্যোগত সদৌ অসম বিহু বিহু নাচৰ বিৰাট আখৰা-২০২৫ ৰ ব্যাপক প্ৰস্তুতি

## সামৰণি অনুষ্ঠানত প্ৰদান কৰিব মাধুৰীমা চৌধুৰীলৈ 'কলিমতী' (বিহুৰ দেৱী) অভিধা আৰু ৰবি শৰ্মালৈ 'নট সিন্ধু' অভিধা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'গান্ধাৰ'ৰ উদ্যোগত অহা ২ এপ্ৰিলৰ পৰা ১৯ এপ্ৰিললৈ ঐতিহ্যমণ্ডিত উৰিয়া গাঁও খেলপথাৰত কলংপৰীয়া কণ্ঠ দিগেন মহন্তৰ সোঁৱৰণত সদৌ অসম বিহু নাচৰ বিৰাট আখৰা-২০২৫ এক অনুষ্ঠান আয়োজন কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে।উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বিহু নাচ, জেং বিহু, বিহু নাম, ঢোল, পেঁপা,গগণা বাদন কৰ্মশালা অনুষ্ঠিত হ'ব। এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব বৰ বিহুৱতী ছয়নিকা কাশ্যপ,বিশিষ্ট বিহু শিল্পী পদুম প্ৰসাদ শইকীয়া, চন্দ্ৰ শইকীয়া, পবিত্ৰ বৰা, গগণ চৌধুৰী আৰু আনন্দ শইকীয়াই। বিহু কৰ্মশালা অনুষ্ঠানটিৰ অংশ হিচাপে দাপোনমতী (বোৱাৰী) প্ৰতিযোগিতা, যৌৱনমতী (গাভৰু) প্ৰতিযোগিতা, কাচোনমতী (কন্যা) প্ৰতিযোগিতা আৰু জেং বিহু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সামৰণি অনুষ্ঠানৰ দিনা 'সাত দিন সাত বিহু নাচ' শীৰ্ষক বৃহৎ মুকলি বিহু, সম্বৰ্ধনা আৰু অভিধা প্ৰদান অনুষ্ঠান, বাৰেৰহনীয়া সমন্বয় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। মুকলি বিহুৰ অনুষ্ঠানত এক হাজাৰ বিহুৱতীৰ বিহু নাচ প্ৰদৰ্শন কৰা হ'ব। এই অনুষ্ঠানতেই বিশিষ্ট অভিনেত্ৰী মাধুৰিমা চৌধুৰীলৈ 'কলিমতী' (বিহুৰ দেৱী) অভিধা প্ৰদান, বলিষ্ঠ অভিনেতা ৰবি শৰ্মালৈ 'নট সিন্ধু' অভিধা প্ৰদান কৰাৰ উপৰিও সঙ্গীত শিল্পী প্ৰাঞ্জল বৰা, বিশিষ্ট নাট্যকাৰ মৃণাল বৰাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। এই অনুষ্ঠানলৈ ঢোলৰ ওজা সোমনাথ বড়াক বিশিষ্ট অতিথি শিল্পী হিচাপে আমন্ত্ৰণ জনোৱা হ'ব। কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা সকলক ম'বাইল ৬০০১১-৬৩৮৩৭, ৮৮২২০-৮০৯২২, ৯৮৬৪৩-৪৯৯৩৮ আৰু ৯১০১২-৮২৬২৩ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবৰ বাবে উদ্যোক্তা সকলে আহ্বান জনাইছে।

# তেজপুৰ ৰ'টাৰী ক্লাবৰ উদ্যোগতবিশেষ আলোচনা সভা



**চন্দন শৰ্মা, তেজপুৰ ঃ** উষানগৰী তেজপুৰৰ হিলিবিলি ভৱনত বৃহত্তৰ তেজপুৰ ৰ'টাৰী ক্লাবৰ উদ্যোগত তেজপুৰৰ ব্ৰহ্মাকুমাৰী ইশ্বৰীয়া বিশ্ববিদ্যালয়ৰ সহযোগত এক আধ্যাত্মিক চিন্তা চেতনাৰ ওপৰত বিশেষ আলোচনা সভা মঙলবাৰে সম্পন্ন হয়। এই Spiritual motivationel আলোচনাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অনুষ্ঠানৰ মুখ্য কাৰ্যালয় মাউণ্টআবুৰ পৰা অহা চিষ্টাৰ শিবানীক তেজপুৰৰ সমাজসেৱিকা নৱনীতা বৰা হাজৰিকাই অসমৰ জাতীয় প্ৰতীক গঁড় আৰু সমাজসেৱিকা তৃপ্তি তামূলী বৰদলৈয়ে অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোছাৰে বিশেষভাৱে সম্বৰ্ধনা যাচে। মাউণ্টআবুৰ পৰা অহা চিষ্টাৰ শিৱানীয়ে বিশ্ব শান্তি মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱনত অহা বিভিন্ন ঘাট-প্ৰতিঘাটক অতিক্ৰম কৰি শাৰীৰিক আৰু মানসিক শক্তিক সৱল কৰাৰ যোগেদি কেনেকৈ নিজৰ জীৱন পৰিক্ৰমাক আগবঢ়াই নিব পাৰি তাৰো বিশেষভাৱে ব্যাখ্যা আগবঢ়ায়। তেখেতে আত্মা পৰমাত্মাৰ মিলন আৰু শৰীৰ আৰু মনক কেনেকৈ প্ৰশান্তি যোগাব পৰা যায় তাৰ কৌশল সম্পৰ্কেও উল্লেখ কৰে। চিছটাৰ শিৱানীয়ে আমাৰ বয়সৰ জোখাৰে মানুহৰ মনৰ পৰিৱৰ্তন আৰু ভগৱানৰ দৰ্শনৰ বাবে কৰা ধ্যান আৰু আত্মাৰ চিৰশত্ৰু কাম ক্ৰোধ লোভ মোহ মাৰিমৰক আদিক কেনেকৈ দমন কৰিব পাৰি তাৰ বাবে আমাক বিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ গুণৰ মানদণ্ড উন্নতি কৰিব লাগিব বুলিও কয়। তেখেতে ধ্যানৰ যোগেদি আত্মা-পৰমআত্মাৰ মিলনৰ সম্ভাৱনা সম্পৰ্কেও ব্যাখ্যা কৰে। সুখৰপৰা শিখৰলৈ ৰাজমাৰ্গ শীষক বিষয়ৰ ওপৰত বক্তব্য দিয়া সজ্জাকে ধৰি আন অনাৱশ্যকীয় সম্পত্তিৰ ত্যাগ আৰু সংস্কাৰ মুখী যাত্ৰাই আমাক সদায়ে সুখী কৰি ৰাখিব বুলিও কয়। আত্মিক শান্তি আৰু আনন্দৰ দিশে এক ৰূপান্তৰকাৰী যাত্ৰা আগত লৈ আমি ভৱিষ্যতে কেনেকৈ নিজকে মনৰ প্ৰশান্তি আনিব পাৰো। ধ্যানৰ মৌলিক ধাৰণা মানসিক চাপৰ পৰা পৰিত্ৰাণ পোৱা তাৰো কৌশল শিকায়। এই আধ্যাত্মিক শিবিৰত ৰ'টাৰী ক্লাৱৰ সভাপতি জয়ন্ত তিবুৱাল, সম্পাদক অংকিত খেতাৱাতকে ধৰি দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়া, তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ হাজৰিকা, শোণিতপুৰৰ জিলা আয়ুক্ত অংকুৰ ভড়ালীও উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠভ বৃদ্ধি কৰে।

## সম্পাদকলৈ চিঠি

**যো**ৱা ইংৰাজী ২০২৪ চনৰ জুলাই মাহৰ ১২ তাৰিখে চিকিৎসকৰ গাফিলতি, অমনোযোগিতাই মোৰ জীৱন শেষ কৰি পেলালে, ডিব্ৰুগড় মেডিকেলৰ অধ্যক্ষ সঞ্জীৱ কাকতিৰ পৰামৰ্শমতেই সেইজন চিকিৎসকক দেখুৱাইছিলো যি গৰাকীৰ বিষৰ বেজিৰ ফলত মোৰ মগজুত ষ্ট্ৰক মাৰি হাত, ভৰি হেৰুৱালোঁ। আজি ৭ মাহে চিকিৎসাধীন হৈছো। য'ত মোৰ আশা সপোন সকলো শেষ কৰিলে ডিব্ৰুগড় মেডিকেলে। এতিয়া মুখ্যমন্ত্ৰীৰ সহায় বিচৰাৰ লগতে সংস্থাপনো বিছাৰিছোঁ। এই বিষয়ে মাননীয় মুখ্য মন্ত্ৰীক ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সাক্ষাতো কৰিছিলো, য'ত মুখ্যমন্ত্ৰীৰ ৰিলিফ বাঞ্চে ৫০,০০০ হাজাৰ টকাও আগবঢ়াইছিল। মাননীয় মুখ্য মন্ত্ৰীক ধন্যবাদ দিয়াৰ লগতে সংস্থাপন পোৱাৰ বাবেই সংবাদমেলখনি আয়োজন কৰিছো। আহবায়ক ঃ অজিত বৰা, ডিব্ৰুগড়। ম'বাইল ঃ ৮৬৩৮৭-৭০৫৭১ যোৱা ইংৰাজী ২০২৪ চনৰ জুলাই মাহৰ প্ৰথম সপ্তাহৰ অৰ্থাৎ ৬ তাৰিখে মোৰ আঁঠু আৰু ককাঁলৰ বিষ হোৱাত ডিব্ৰুগড় মেডিকেলৰ অধ্যক্ষ সঞ্জীৱ কাকতিক ফোন কৰি অৱগত কৰাত মোক চিকিৎসক বিপুল বৰঠাকুৰক OPDত দেখুৱাবলৈ পৰামৰ্শ দিয়ে আৰু ডাঃ বৰঠাকুৰে চাৰিদিন ধাৰাবাহিক বিষৰ বেজি দিয়াৰ পাছত মোৰ বিষ অত্যাধিক বাঢ়ি যোৱাত ১১ জুলাইত মেডিকেলত ভৰ্তি হ'ব লগা হয়। মেডিকেলত ভৰ্তি হৈ থাকোঁতেই দুভাগ্যবশতঃ মোৰ মেডিকেলৰ বিচনাত ১২ তাৰিখে দুপৰীয়া Maind Stock হয়। চিকিৎসক বৰঠাকুৰে ৪ দিন বেজি দিওঁতে মোৰ এদিনো প্ৰেছাৰ পৰীক্ষা কৰা নাছিল যাৰ পৰিণতিত মই আজি পংগু হৈ সোঁহাত আৰু সোঁভৰি হেৰুৱালো। অতি দুখৰ বিষয় যে, মোৰ Stock হোৱাৰ পাছত প্ৰেছাৰ জুখি জনায় যে ২১০ প্ৰেছাৰ থকাৰ বাৱে মোৰ ষ্টক হ'ল। চিকিৎসাধীন অৱস্থাত প্ৰেছাৰ চোৱা হ'লে আজি মোৰ অৰ্ধ মৃত্যু নহ'ল হয়। চিকিৎসকৰ অৱহেলা, গাফিলতিত মোৰ এই অৱস্থা। মোৰ গোটেই জীৱনটো ঘৃণীয়া কৰিলে ডিব্ৰুগড়ৰ চিকিৎসক বৰঠাকুৰে। মোৰ সংকটৰ বেলাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আৰ্শীবাদ কিছু আৰোগ্য হ'লো। আজিও মোৰ সোঁহাত আৰু সোঁভৰি বিকল। মুখ্য মন্ত্ৰীৰ কৃপাত যদিও গুৱাহাটী মেডিকেলত আহিছিলো সেয়াও কাহিনী অদ্ভুত। য'ত সম্পূৰ্ণ আৰোগ্য নোহোৱাকৈ আৰোগ্য হোৱা বুলি মোক আগতীয়াকৈ চুটি দি ঘৰত থৈ আহিল গৈ গুৱাহাটী মেডিকেলে। এক নাভূত নাশ্ৰুত কাণ্ড ডিব্ৰুগড় মেডিকেলৰ। মুখ্য মন্ত্ৰীক মই সাক্ষাত কৰা বুলি জানি অধ্যক্ষ সঞ্জীৱ কাকতিয়ে ছজনীয়া এটা চিকিৎসৰ দলক তদন্ত কমিটি গঠন কৰি তদন্ত কৰিবলৈ দিয়ে মোৰ লগত হোৱা ঘটনাটোৰ। য'ত তদন্তৰ নামতো ভয়ানক জালিয়াতি। মোক ঘৰত থাকোঁতেই দেখুৱা হ'ল মেডিকেলত চিকিৎসাধীন। আজি পৰ্যন্ত মোৰ খবৰো নল'লে অধ্যক্ষ কাকতিয়ে। কিয়নো তেখেতেই মোক পঠাইছিল ডাঃ বিপুল বৰঠাকুৰৰ ওচৰলৈ। যোৱা ক'ভিড মহামাৰিৰ পাছত অধ্যক্ষ সঞ্জীৱ কাকতিক মই ডিব্ৰুগড়ৰ বৰবৰুৱাত থকা BCPLয়ে মেডিকেলৰ উন্নয়নৰ বাবে দিয়া টকা কোন শিতানত খৰছ কৰিলে সোধাৰ বাবেই হয়তো মোক বেয়া পাই ডাঃ বিপুল বৰঠাকুৰৰ ওচৰত পঠাই মোক আপাহিজ বনাই আজিও মোৰ খবৰ নকৰিলে। এতিয়া মই মহা বিপদত, অন্ধকাৰময় মোৰ জীৱন। হাত আৰু ভৰি মোৰ বিকল। এগৰাকী সাংবাদকৰ্মী মূল্য আজি ডিব্ৰুগড়ে নাইকীয়া কৰি পেলালে, অৰ্থহীন কৰি পেলালে।

**অজিত বৰুৱা**, ডিব্ৰুগড়

# শুৱালকুছিত বিজেপিৰ প্ৰবুদ্ধ নাগৰিক সন্মিলন


**দিলীপ মেধি, শুৱালকুছি ঃ** ভাৰতীয় জনতা পাৰ্টী অনুসূচিত জাতি মৰ্চা উত্তৰ কামৰূপ জিলাৰ উদ্যোগত আৰু ভাৰতীয় জনতা পাৰ্টী অনুসূচিত জাতি মৰ্চা শুৱালকুছি মণ্ডলৰ সহযোগত সংবিধান গৌৰৱ দিৱসৰ লগত সংগতি ৰাখি শুৱালকুছি মণ্ডল কাৰ্যালয়ত প্ৰবুদ্ধ নাগৰিক সন্মিলন অনুষ্ঠানৰ আয়োজন কৰা হয়। সন্মিলনত অনুসূচিত জাতি অন্তৰ্গত জ্যেষ্ঠ নাগৰিকসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকে শুৱালকুছি মণ্ডলৰ সভাপতি ধীৰাজ মহন্ত, অনুসূচিত জাতি মৰ্চা উত্তৰ কামৰূপ জিলাৰ সভাপতি ৰাজীৱ দাস, অনুসূচিত জাতি মৰ্চা শুৱালকুছি মণ্ডলৰ সভাপতি পদ্মেশ্বৰ দাস, ভাৰতীয় জনতা পৰ্টী উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰ কলিতা, অনুসূচিত জাতি মৰ্চা অসম ৰাজ্যিকৰ উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি মণ্ডল যুৱ মৰ্চাৰ সভাপতি ৰাজীৱ দাস, সংখ্যালঘু মৰ্চাৰ মণ্ডল সভাপতি ফিৰোজ আলী, মহিলা মৰ্চাৰ মণ্ডল সভানেত্ৰী পাৰুল মণি দাসৰ লগতে নগেন মালাকাৰ, মণ্ডলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা মৃগেন কুমাৰ দাস আৰু প্ৰাণজিৎ দাস।

# বেটী বচাও, বেটী পঢ়াও আঁচনিৰ দহ বছৰ উপলক্ষে কামৰূপত সজাগতা কাৰ্যসূচী



**দিলীপ মেধি, শুৱালকুছি ঃ** 'বেটী বচাও, বেটী পঢ়াও আঁচনিৰ দহ বছৰ উপলক্ষে কামৰূপৰ আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত প্ৰাক-গৰ্ভধাৰণ আৰু প্ৰাক-প্ৰসৱ নিদান কৌশল (পি চি পি এন ডি টি) আইন সন্দৰ্ভত এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপ জিলাৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ উদ্যোগত আৰু কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সহযোগত তথা সংকল্পঃ জিলা মহিলা সবলীকৰণ কেন্দ্ৰ, কামৰূপৰ কাৰিকৰী সহযোগত অনুষ্ঠিত সজাগতা কাৰ্যসূচীত মূল বক্তব্য ৰাখে কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। চৰকাৰী আৰু ব্যক্তিগত চিকিৎসালয়ৰ চিকিৎসক, লেব টেকনিচিয়ান আৰু অন্যান্যসকলৰ অংশগ্ৰহণৰে অনুষ্ঠিত কাৰ্যসূচীত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ, কামৰূপৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰূপালী শইকীয়া ফুকন, জিলা আইন সেৱা প্ৰাধিকাৰীৰ আইনী সাহায্য প্ৰতিৰক্ষা অধিবক্তা হাফিজুৰ ৰহমানৰ লগতে সমল ব্যক্তিৰূপে ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীৰ গৱেষণা বিষয়া ড° শৰ্মিষ্ঠা বৰুৱা উপস্থিত থাকে। কাৰ্যসূচীত প্ৰাক-গৰ্ভধাৰণ আৰু প্ৰাক-প্ৰসৱ নিদান কৌশল (পি চি পি এন ডি টি) আইনৰ ওপৰত সজাগতা সৃষ্টি কৰা হয়। কামৰূপ জিলাৰ সংকল্পঃ মহিলা সবলীকৰণ কেন্দ্ৰৰ জিলা মিছন সমন্বয়ৰক্ষী গুলছমী ৰেখা বৰাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুষৰ ন'ডেল বিষয়া ডাঃ অৰবিন্দ দাস, জিলা টিকাকৰণ বিষয়া তথা পি চি পি এন ডি টি আইনৰ নিৰীক্ষণ বিষয়া ডাঃ ৰাজীৱ বৰবৰুৱাও উপস্থিত থাকে।

# শুৱালকুছিৰ সিদ্ধেশ্বৰ দেৱালয়ৰ পূজাৰী প্ৰফুল্ল শৰ্মাৰ দেহাৱসান



**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছিৰ ঐতিহ্যমণ্ডিত ধৰ্মপীঠ ঈশ্বৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ দেৱালয়ৰ পূজাৰী তথা শুৱালকুছি দ-মাটিপৰ্বত নিৱাসী প্ৰফুল্ল শৰ্মা (৭৫)ৰ পুৱতি নিশা নিজ বাসগৃহত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি তেও শাৰীৰিক অসুস্থতাৰ বাবে শয্যাগত হৈ আছিল। বিগত ৩৪ বছৰ কাল দেৱালয়ত পূজাৰীৰ সেৱা আগবঢ়াই নীৰৱ সাধকৰ পৰিচয় দাঙি ধৰিছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাত তেওঁৰ গুণমুগ্ধ অনুগামীসকলে ভিৰ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই দীৰ্ঘকালীন সময়ত তেওঁ ৰদ-বৰষুণকো আওকাণ কৰি সঠিক সময়ত নিয়ম মাফিক দেৱালয়ৰ গোসাঁইৰ কাম কৰি ভক্তসকলকো যৎপৰোনাষ্টি সন্তুস্ত কৰিছিল। তেওঁৰ মৃত্যুত দেৱালয় পৰিচালনা সমিতি, বৰদেউৰী সমাজ, পাৰাবাসী ৰাইজ আৰু ভক্তসকলে শ্ৰদ্ধা জ্ঞাপন কৰে। শেষত ব্ৰহ্মপুত্ৰৰ বালিচৰত জ্ঞাতি কুটুম্ব তথা ৰাইজে যথাবিধি নিয়মত শেষকৃত্য সম্পাদন কৰে।

# জীৱনৰ অন্য নাম সহনশীলতা

■ সত্যব্ৰত বৰা

কঠিন সময় আৰু প্ৰত্যাহ্বানৰ পৰা উভতি অহাৰ ক্ষমতাই হ'ল সহনশীলতা। জীৱনটো উত্থান-পতনেৰে ভৰা আৰু কোনোবা নহয় কোনোবা সময়ত সকলোৰে নানান সমস্যাৰ সন্মুখীন হয়। এই প্ৰত্যাহ্বানসমূহ বহু ৰূপত আহিব পাৰে, যেনে স্বাস্থ্যজনিত সমস্যা, বিফলতাৰ সন্মুখীন হোৱা বা ব্যক্তিগত সংগ্ৰাম। এই মুহূৰ্তবোৰ কঠিন হয় যদিও সহনশীলতাই আমাক তাৰ মাজেৰে পাৰ হৈ আগবাঢ়ি যোৱাত সহায় কৰে। ই এনে এক গুণ যিয়ে শক্তি, আশা আৰু বিপৰ্যয়ৰ পৰা উদ্ধাৰ হোৱাৰ ক্ষমতা প্ৰদান কৰে।

সহনশীলতা মানুহে জন্মতে পোৱা বস্তু নহয়; ই সময়ৰ লগে লগে বিকশিত হোৱা বস্তু। ই এডাল পেশীৰ দৰে যিডাল আপুনি যিমানেই ব্যৱহাৰ কৰে সিমানেই শক্তিশালী হৈ উঠে। যেতিয়া আমি কঠিন পৰিস্থিতিৰ সন্মুখীন হওঁ তেতিয়াহে আমি শিকিবলৈ আৰু জ্ঞান বৃদ্ধি কৰিবলৈ সুযোগ পাওঁ। সহনশীলতাই আমাক আত্মবিশ্বাসেৰে প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সাহস দিয়ে, এই কথা জানি যে আমাৰ সন্মুখত যিয়েই সমস্যা নহওক কিয় আমি চম্ভালিব পাৰিম।

সহনশীলতাৰ এটা গুৰুত্বপূৰ্ণ অংশ হ'ল ইতিবাচক মানসিকতা। আমি যি কৰিব নোৱাৰো তাৰ পৰিৱৰ্তে আমি কি কৰিব পাৰো তাৰ ওপৰত গুৰুত্ব দিয়াটোৱেই ইতিবাচক মানসিকতা। জীৱনটো হয়তো অভাৱনীয় হ'ব পাৰে আৰু আমাৰ লগত ঘটা সকলো ঘটনা হয়তো আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰিব পাৰো। অৱশ্যে এই পৰিস্থিতিবোৰৰ প্ৰতি আমি কেনেধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰো সেয়া আমি নিয়ন্ত্ৰণ কৰিব পাৰো। ইতিবাচক মানসিকতাই আমাক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ শিকায়। উদাহৰণস্বৰূপে, আমি যদি কোনো কামত বিফল হওঁ, তেন্তে হাৰ মানি লোৱাৰ পৰিৱৰ্তে আমি পুনৰ চেষ্টা কৰিব পাৰো। এই ধৰণৰ চিন্তাই আমাক আগুৱাই যোৱাত সহায় কৰে, আনকি কথাবোৰ কঠিন যেন লাগিলেও।

সহনশীলতাৰ আন এটা অংশ হ'ল অভিযোজন ক্ষমতা। জীৱনটো অহৰহ পৰিৱৰ্তিত হৈ থাকে। নতুন পৰিস্থিতিৰ লগত খাপ খুৱাব পৰাটো অতি প্ৰয়োজনীয়। কেতিয়াবা, পৰিকল্পনা অনুসৰি কামবোৰ নহয় আৰু আমি পৰিস্থিতিৰ কাষ চাপিবলৈ নতুন উপায় বিচাৰি উলিয়াব লাগে। উদাহৰণস্বৰূপে, যদি আমি চাকৰি এটা হেৰুৱাওঁ, তেন্তে আমি নতুন দক্ষতা শিকিব লাগিব বা বিভিন্ন কেৰিয়াৰ পথ অন্বেষণ কৰিব লাগিব। পৰিৱৰ্তনৰ প্ৰতি নমনীয় আৰু মুকলি হৈ আমি সমস্যাৰ সমাধান বিচাৰি উলিয়াব পাৰো আৰু নিজৰ বাবে নতুন সুযোগ সৃষ্টি কৰিব পাৰো। সমৰ্থনেও সহনশীলতা গঢ়ি তোলাত ডাঙৰ ভূমিকা পালন কৰে। বন্ধু-বান্ধৱ, পৰিয়াল আৰু আপোনজনে কঠিন সময়ত সান্ত্বনা আৰু উৎসাহ দিব পাৰে। আমি বিশ্বাস কৰা কাৰোবাৰ লগত কথা পাতিলে অকলশৰীয়া অনুভৱ নহয় আৰু আগবাঢ়ি যাবলৈ শক্তি পাওঁ। সহায়ৰ বাবে হাত আগবঢ়োৱাটো দুৰ্বলতাৰ লক্ষণ নহয়।

সহনশীলতাৰ লগত আত্মসচেতনতাও জড়িত হৈ থাকে। ইয়াৰ অৰ্থ হ'ল আমাৰ অনুভৱবোৰ বুজি পোৱা আৰু সেইবোৰ কেনেকৈ পৰিচালনা কৰিব লাগে সেইটো জনা। কঠিন সময়ত দুখ, খং বা ভয়ৰ দৰে আৱেগ আহিব পাৰে। এই অনুভৱবোৰ স্বাভাৱিক যদিও ইয়াক ঠাই ল'বলৈ দিব নালাগে। জাৰ্নেলিং, ধ্যান বা খোজ কঢ়াৰ দৰে কাৰ্যকলাপে আমাক আমাৰ অনুভৱসমূহ প্ৰক্ৰিয়াকৰণ কৰাত সহায় কৰিব পাৰে আৰু আমাৰ মনটো পৰিষ্কাৰ কৰিব পাৰে।

শাৰীৰিক স্বাস্থ্যৰ যত্ন লোৱাটো সহনশীলতাৰ আন এক গুৰুত্বপূৰ্ণ অংশ। যেতিয়া আমি শাৰীৰিকভাৱে শক্তিশালী হওঁ তেতিয়া আমি মানসিক চাপ আৰু প্ৰত্যাহ্বানসমূহ ভালদৰে চম্ভালিব পাৰো। ভালদৰে খাদ্য গ্ৰহণ কৰা, পৰ্যাপ্ত পৰিমাণে টোপনি যোৱা আৰু সক্ৰিয় হৈ থাকিলে শক্তিৰ মাত্ৰা আৰু সামগ্ৰিক সুস্থতা বৃদ্ধি কৰিব পাৰি। সৰু সৰু পদক্ষেপ যেনে অধিক পৰিমাণে পানী খোৱা বা দিনটোত অলপ বিৰতি লোৱা আদিয়ে আমাৰ অনুভৱত ডাঙৰ পৰিৱৰ্তন আনিব পাৰে।

সহনশীলতাৰ অৰ্থ হ'ল নিজৰ ওপৰত ধৈৰ্য্য ধৰাও। কঠিন সময়ৰ পৰা সুস্থ হ'বলৈ সময় লাগে। আমাৰ হাতত হয়তো লগে লগে সকলো উত্তৰ নাথাকিবও পাৰে, কিন্তু সৰু সৰু, সামঞ্জস্যপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে আমি অগ্ৰগতি লাভ কৰিব পাৰো। সৰু সৰু বিজয়বোৰো উদ্‌যাপন কৰাটো গুৰুত্বপূৰ্ণ, কিয়নো সেইবোৰে আমাৰ শক্তি আৰু দৃঢ়তাৰ কথা মনত পেলাই দিয়ে।

কৃতজ্ঞতা হৈছে সহনশীলতা গঢ়ি তোলাৰ আন এক শক্তিশালী আহিলা। যেতিয়া আমি আমাৰ জীৱনৰ ভাল কামবোৰৰ ওপৰত গুৰুত্ব দিওঁ তেতিয়া আমি আমাৰ মনোযোগ নেতিবাচক দিশৰ পৰা আঁতৰাই ৰাখিব পাৰো। কৃতজ্ঞতাই আমাক ইতিবাচক দিশবোৰ চাবলৈ সহায় কৰে আৰু আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে ।

সহনশীলতা আমাৰ অভিজ্ঞতাৰ পৰাও শিকিব পাৰি। প্ৰতিটো প্ৰত্যাহ্বানেই আমাক কিবা নহয় কিবা এটা মূল্যৱান কথা শিকাই। উদাহৰণস্বৰূপে, কোনো কঠিন পৰিস্থিতিয়ে নতুন দক্ষতা শিকাব পাৰে বা জীৱনত প্ৰকৃততে কি গুৰুত্বপূৰ্ণ সেইটো বুজিবলৈ সহায় কৰিব পাৰে। সহনশীলতা গঢ়ি তোলাৰ আন এটা উপায় হ'ল লক্ষ্য নিৰ্ধাৰণ কৰা। সহনশীলতাৰ লগত আনক সহায় কৰাটোও জড়িত হৈ থাকে। আমি যেতিয়া আন কাৰোবাক সহায় কৰো তেতিয়া আমি তেওঁৰ জীৱনত পৰিৱৰ্তন অনাই নহয় নিজৰ উদ্দেশ্যবোধো শক্তিশালী কৰি তোলো।

সহনশীলতাই জীৱনৰ অৰ্থ বিচাৰি উলিওৱাৰ ক্ষমতা প্ৰদান কৰে, আনকি কথাবোৰ অনিশ্চিত যেন লগা সময়তো। জীৱনটো টুইষ্ট আৰু টাৰ্ণেৰে ভৰা আৰু সহনশীলতাই আমাক সাহসেৰে সেইবোৰ অতিক্ৰম কৰাত সহায় কৰে। ই আমাক সোঁৱৰাই দিয়ে যে প্ৰতিটো প্ৰত্যাহ্বান হৈছে বৃদ্ধিৰ সুযোগ আৰু প্ৰতিটো কঠিন সময়েই হৈছে এক উজ্বল ভৱিষ্যতৰ বাবে নতুন পথ।

সহনশীলতা গঢ়ি তোলাটো এক আজীৱন যাত্ৰা। ইয়াৰ বাবে অনুশীলন, ধৈৰ্য্য আৰু অধ্যৱসায়ৰ প্ৰয়োজন। ভাল খবৰটো হ'ল বয়স বা পটভূমি যিয়েই নহওক কিয়, যিকোনো ব্যক্তিয়েই সহনশীলতা গঢ়ি তুলিব পাৰে। আমাৰ শক্তিৰ ওপৰত গুৰুত্ব দি, সমৰ্থন বিচাৰি আৰু ইতিবাচক মনোভাৱ ৰাখি আমি যিকোনো বাধা অতিক্ৰম কৰি আশা আৰু সম্ভাৱনাৰে ভৰা জীৱন সৃষ্টি কৰিব পাৰো।

সহনশীলতাই আমাক কঠিন সময়ৰ পৰা উভতি আহি আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাত সহায় কৰে। আমাৰ ভিতৰৰ শক্তিয়েই আমাক আগুৱাই লৈ যায়, আনকি ৰাস্তা কঠিন হ'লেও।

# জামুগুৰিহাটৰ টুপীয়াত মনিষা প্ৰডাকশনৰ তৃতীয় নিবেদন 'জোন জোনালী' শীৰ্ষক গীতৰ শুভ উন্মোচন



**চন্দন শৰ্মা, তেজপুৰ ঃ** জামুগুৰিহাটৰ টুপীয়াস্থিত কাৰেং ধাবাৰ প্ৰেক্ষাগৃহত শুকুৰবাৰে মনিষা প্ৰডাকশনৰ তৃতীয় নিবেদন তথা জামুগুৰিহাটৰ বালিজুৰীৰ উদীয়মান কণ্ঠশিল্পী সীমান্ত সম্ৰাটে কণ্ঠদান কৰা 'জোন জোনালী' শীৰ্ষক গীতৰ শুভ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষীৰধৰ বৰাই। উক্ত শুভ উন্মোচনী অনুষ্ঠানত সভাপতিৰ আসন অলংকৃত কৰে অৱসৰপ্ৰাপ্ত শিক্ষক মহেশ্বৰ শইকীয়াই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ণ প্ৰোখেল, আছুৰ বিত্তীয় সম্পাদক হিৰেণ মেধি, উদীয়মান কণ্ঠশিল্পী শ্যাম কুমাৰ নাগ, বিশিষ্ট সমাজকৰ্মী মজিবোৰ ৰহমান, সমাজকৰ্মী ভাস্কৰ জ্যোতি শইকীয়া, ৰাজীৱ শৰ্মা, অনুপম শইকীয়া, সঞ্জীৱ বৰুৱাৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। মনিষা প্ৰডাকশনৰ তৃতীয় নিবেদন তথা উদীয়মান কণ্ঠশিল্পী সীমান্ত সম্ৰাটৰ কণ্ঠ নিগৰুৱা 'জোন জোনালী' শীৰ্ষক গীতটোৰ প্ৰযোজনা কৰে মহাজাতি টুৱেন্টি ফৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ তথা মানৱ অধিকাৰ আয়োগৰ সঞ্চালক ড° পৰশমণি সিংহ, সৰস্বতী ৰাভা, সহকাৰী শিল্পী বৰষা ৰাণী শইকীয়া আৰু কথা সুৰ গৌৰী শংকৰ বৰুৱাৰ বুলি আমাক জানিবলৈ দিয়ে।

# শুৱালকুছি-শিঙিমাৰী সংযোগী পথত বালি-মাটি কঢ়িওৱা ডাম্পাৰৰ ট্ৰেক্টৰৰ দৌৰাত্ম্যত অতিষ্ঠ ৰাইজ

## গভীৰ নিদ্ৰাত হাজো বন বিভাগ, প্ৰশাসন, ধূলিময় ৰাজপথত সঘনাই সংঘটিত হৈছে দুৰ্ঘটনা

**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ শিঙিমাৰী, ৰৌমাৰী, নিজ গন্ধমৌ আদি বৃহত্তৰ শুৱালকুছি অঞ্চলত অবৈধভাৱে ব্যাপক হাৰত চলিছে ব্ৰহ্মপুত্ৰত পলসুৱা বালি মাটিৰ অবাধ খনন। ব্ৰহ্মপুত্ৰত বালি-মাটি খনন কৰা এইসকল অবৈধ বালি-মাটি ব্যৱসায়ীয়ে দিনে- নিশাই জিলা প্ৰশাসন, পৰিবহণ বিভাগ, আৰক্ষী প্ৰশাসন, হাজো বন বিভাগৰ সন্মুখেৰে শুৱালকুছি- শিঙিমাৰী-গুৱাহাটী সংযোগী ৰাজপথেৰে ব্ৰহ্মপুত্ৰৰ পৰা বালি-মাটি কঢ়িয়াই অনা তীব্ৰবেগী ডাম্পাৰ, ট্ৰেক্টৰৰ চলাচলে একপ্ৰকাৰ অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰিছে বুলি অভিযোগ আছুকে ধৰি বিভিন্ন দল-সংগঠনৰ। স্থানীয় দল সংগঠনৰ অভিযোগ, হাজো বন বিভাগ তথা প্ৰশাসনৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া কৰ্মচাৰীক মেনেজ কৰি চলাচল কৰা অবৈধ বালি মাটি কঢ়িওৱা তীব্ৰবেগী ডাম্পাৰ, ট্ৰেক্টৰৰ দৌৰাত্ম্যৰ বাবে প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। আনকি বিদ্যালয়- মহাবিদ্যালয়লৈ অহাৰ সময়ত এইসমূহ গাড়ী নিৰ্বিঘ্নে চলাচল কৰাত উক্ত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে। ৰাজপথত তীব্ৰবেগী বালি-মাটি ভৰ্তি ডাম্পাৰৰ পৰা উফৰি অহা ধূলিৰ ফলত উক্ত পথত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে। প্ৰাপ্ত অভিযোগ অনুসৰি, ব্ৰহ্মপুত্ৰৰ পৰা দৈনিক দিনে-নিশাই শ শ বালি ভৰ্তি ডাম্পাৰ চলাচলৰ ফলত শিঙিমাৰী শুৱালকুছি সংযোগী পথটি ধূলিময় হৈ পৰাত উক্ত পথৰে যাতায়ত কৰা ছাত্ৰ-ছাত্ৰী তথা ৰাইজে যমৰ যাতনা ভোগ কৰিব লগা হৈছে। ইয়াৰ উপৰিও অঞ্চলটোৰ বাট পথকে ধৰি ৰাইজৰ ঘৰ পৰ্যন্ত ধূলিময় হৈ পৰাত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। শুৱালকুছি-শিঙিমাৰী সংযোগী ৰাজপথত দিনে-নিশাই ডাম্পাৰৰ দৌৰাত্ম্যত বিগত সময়ছোৱাত ডাম্পাৰৰ ফলত দুৰ্ঘটনা সংঘটিত হোৱাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে বহুজন। স্থানীয় দল-সংগঠনে কামৰূপ জিলা প্ৰশাসন, হাজো ৰাজহ চক্ৰ বিষয়া, স্থানীয় আৰক্ষী প্ৰশাসন, বন বিভাগক অভিযোগ দি আহিছে যদিও এই ক্ষেত্ৰত ভ্ৰূক্ষেপ নাই এইসকল সংশ্লিষ্ট বিভাগৰ। সকলো দেখি শুনিও হাজো বনাঞ্চলিক বিষয়া তথা প্ৰশাসন মৌন হৈ থকাত উঠি ৰজা বহি ৰজা হৈছে এইসকল বালি মাফিয়া চক্ৰ। উল্লেখ্য , কামৰূপ জিলা আয়ুক্তই জিলা প্ৰশাসনৰ অনুমতি অবিহনে অবৈধভাৱে বালি মাটি খনন কৰা সন্দৰ্ভত টাস্ক ফৰ্চ গঠন কৰিছিল যদিও এতিয়ালৈ কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ অভিযোগ স্থানীয় সচেতন ৰাইজৰ।

# বৃহত্তৰ বালিপৰাত বিহু শিল্পী সংস্থা অসমৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ লাইখুঁটা স্থাপন সম্পন্ন

**চন্দন শৰ্মা, তেজপুৰ ঃ** বৃহত্তৰ বালিপৰাত দেওবাৰে কুমুদা সুন্দৰী সেন একাডেমী খেলপথাৰ প্ৰাঙ্গণত বিহু শিল্পী সংস্থা অসমৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ লাইখুঁটা স্থাপনৰ কাৰ্যসূচীভাগ মাংগলিক নিয়মৰে সম্পন্ন কৰে। অহা ইং ১৯, ২০, ২১,২২ আৰু ২৩ মাৰ্চ তাৰিখে বালিপৰা ৰে'ল ষ্টেচনৰ কাষতে অৱস্থিত কুমুদা সুন্দৰী সেন একাডেমী খেল পথাৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'বলগীয়া বালিপৰা আঞ্চলিক অধিৱেশন উদ্‌যাপন সমিতিৰ উদ্যোগত শোণিতপুৰ জিলা সমিতিৰ সহযোগত বিহু শিল্পী সংস্থা অসমৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আৰু তৃতীয় বাৰ্ষিক বালিপৰা আঞ্চলিক অধিৱেশনৰ প্ৰথম কাৰ্যসূচী লাইখুঁটা স্থাপন সম্পন্ন হয়। উক্ত পৱিত্ৰ অনুষ্ঠানত বিহু সংস্থা শিল্পী অসমৰ কেন্দ্ৰীয় উপ-সভাপতি গণেশ ডেকা, সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি শইকীয়া, সাংগঠনিক সম্পাদিকা গীতাঞ্জলী দেৱী, শোণিতপুৰ জিলাৰ সভাপতি চুৰেণ হাজৰিকা, যুটীয়া সম্পাদক দিপাঙ্কৰ দত্ত, তপন শইকীয়া, বালিপৰা আঞ্চলিকৰ সভাপতি পূৰ্ণ শইকীয়া, যুটীয়া সম্পাদক দেৱজিৎ মহন্ত, উদ্‌যাপন সমিতিৰ সভাপতি দুলাল দাস, কাৰ্যকৰী সভাপতি হীৰেণ মেধি, যুটীয়া সম্পাদক ভাস্কৰজ্যোতি শইকীয়া, কংকনজ্যোতি দাসৰ লগতে শোণিতপুৰ জিলাৰ পাঁচখন আঞ্চলিকৰ সভাপতি, সম্পাদক, সদস্য-সদস্যাসকলৰ লগতে সমূহ বিষয়ববীয়াসকল বালিপৰা ৰাইজসকল উপস্থিত থাকে। বিহু শিল্পী সংস্থা অসমৰ কেন্দ্ৰীয় অধিৱেশনৰ আকৰ্ষণীয় কাৰ্যসূচী হিচাপে থাকিব বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা, মহিলাদ্বাৰা অৰ্জুনৰ পাশুপাট অস্ত্ৰ লাভ নাটভাগৰ ভাওনা প্ৰদৰ্শন, স্মৃতিগ্ৰন্থ 'ক'লীমতী' উন্মোচন, ২০২৫ বৰ্ষৰ বিহু ৰত্ন বঁটা প্ৰদান অনুষ্ঠানৰ লগতে বহুকেইটা অনুষ্ঠান হাতত লৈছে উদ্যোক্তা সমিতিয়ে।

# ভেলেণ্টাইন্‌চ্‌ ডে ঃ ইয়াৰ উৎস আৰু বাণিজ্যিক ব্যৱহাৰ

■ **মীনাক্ষী ৰায় ডাকুৱা**
গোলকগঞ্জ, ধুবুৰী

চৈধ্য (১৪) ফেব্ৰুৱাৰী হ'ল ভেলেণ্টাইন্‌চ্‌ ডে বা প্ৰেম দিৱস। প্ৰেমিক-প্ৰেমিকাৰ মনত প্ৰেমৰ জোৱাৰ বৈ যোৱাৰ দিন। প্ৰেমিক-প্ৰেমিকাৰ অবাধ মিলামিচা, স্বাধীনতাৰ দিন। নাচ-গান, আনন্দ-উচ্ছলতাৰ দিন। গ্ৰীটিংছ কাৰ্ড আৰু উপহাৰ বিনিময়ৰ দিন।

ভেলেণ্টাইন্‌চ্‌-ডে বৰ্তমানে অকল নিভৃত আলাপচাৰিতাৰ দিন নহয়, উৎসৱৰ দিনো। অন্যান্য উৎসৱত যিদৰে দোকান-পোহাৰত কিনাকটা কৰাৰ ভিৰ হয়, এই প্ৰেমৰ উৎসৱতো কিনাকটা কৰিবলৈ যথেষ্ট ভিৰ হয়। এই দিনটোৰ বাণিজ্যিক ব্যৱহাৰ বৰ্তমান বিশ্ব-বিয়পা। যি আছিল পশ্চিমীয়া উৎসৱ, আজি সেই উৎসৱ প্ৰৱেশ কৰিছে প্ৰাচ্যৰ ভিতৰচৰাতো। সকলোতে এতিয়া দেখা যায় গ্ৰীটিংছ কাৰ্ড আৰু নানাধৰণৰ উপহাৰৰ সজ্জাৰে সজ্জিত পোহাৰেৰে আলোকিত দোকানবোৰ। সকলো ৰুদ্ধশ্বাস প্ৰেম, সকলো অৱৰুদ্ধ ভালপোৱা যেন হিলদল ভাঙি ওলাই আহে এই দিনটোত। পোহৰৰ মালাৰে, উৎসৱৰ মাদকতাৰে স্বপ্নপুৰী হৈ উঠে হোটেল-ৰেষ্টুৰেণ্ট-ডিচ্‌কোথেক। গোটেই ৰাতি ধৰি চলে নাচ-গান, আনন্দ, হৈ-চৈ। এই দিনা উদ্বেল তৰুণ-তৰুণীবোৰে বুজাই দিয়ে-প্ৰেম স্বাভাৱিক, স্বতঃস্ফূৰ্ত, প্ৰেম মানৱধৰ্ম। প্ৰেম কৰাৰ অধিকাৰ সকলোৰে আছে। ইয়াৰ কোনো ভৌগোলিক সীমাবদ্ধতা থাকিব নোৱাৰে।

যিমানেই উচ্চকণ্ঠেৰে প্ৰেমৰ জয়গান কৰা হওক, প্ৰেম কিন্তু স্বভাৱতেই ভিৰু। দুৰু দুৰু হিয়াৰে, পুৰণি দিনৰ বাৰ্তাবাহক, চিঠি-পত্ৰ বা বৰ্তমান যুগৰ দূৰভাষৰ মাধ্যমত দূৰত্ব বজাই ৰাখি, প্ৰেম কৰাৰ মাজত থাকে অসম্পূৰ্ণতা, হেঁপাহ নপলোৱাৰ অতৃপ্তি। সেয়ে শিকলি পিন্ধা প্ৰেমৰ শিকলি চিঙিবলৈ উন্মুক্ত প্ৰেমৰ উপযুক্ত দিন হিচাবে উৎসৱৰ দৰে পালন কৰা হয় ভেলেণ্টাইন্‌চ্‌-ডে। বিশ্বায়নৰ দৌলতত এই দিনটো পালনৰ উন্মাদনা বৰ্তমান সৰ্বত্ৰ।

এই ভেলেণ্টাইন্‌চ্‌-ডে পালনৰ উৎস নো ক'ত, তাক বিচাৰিবলৈ হ'লে বহুদূৰ পিছুৱাই যাব লাগিব-তৃতীয় শতিকালৈ। সেয়া এক গল্প, যাক ক'ব পাৰি কিংবদন্তি। পুৰণি দিনৰ এটি দুখজনক কাহিনী।

ডেৰ হাজাৰো অধিক বছৰ আগৰ কথা। সেই সময়ত গোটেই ইউৰোপ জুৰি ৰোম সাম্ৰাজ্যৰ প্ৰবল প্ৰতিপত্তি। ৰোম সম্ৰাটৰ ইচ্ছাই আইন, মুখৰ কথাই বিচাৰ। তেওঁৰ দণ্ডবিধানেই শেষ কথা। ৰোম সম্ৰাট দ্বিতীয় ক্লডিয়াচ নিষ্ঠুৰ, স্বেচ্ছাচাৰী আৰু পৰধৰ্ম-অসহিষ্ণু শাসক। তেওঁ আছিল পৌত্তলিক বা মূৰ্তিপূজাৰ অন্ধ সমৰ্থক। তেওঁ ঘোষণা কৰিলে, তেওঁ পালন কৰা ধৰ্মই ৰাষ্ট্ৰধৰ্ম। ৰোমান সম্ৰাজ্যত বাস কৰিবলৈ হ'লে ৰোমান দেৱ-দেৱীৰ পূজা কৰিব লাগিব। একেশ্বৰবাদী খ্ৰীষ্টানসকলে এই কথাত প্ৰমাদ গণিলে। যিসকলে ৰোম সম্ৰাটৰ আদেশ পালন কৰিবলৈ মান্তি নহ'ল, সম্ৰাটৰ আদেশত তেওঁলোকক পোতাশালত বন্দী কৰা হ'ল।

এটি খ্ৰীষ্টান গীৰ্জাৰ পাদ্ৰী আছিল সন্ত ভেলেণ্টাইন। তেওঁ আছিল একাধাৰে ধৰ্মযাজক, চিকিৎসক আৰু এজন মানৱদৰদী মানুহ। বয়সত তেওঁ আছিল প্ৰৌঢ়। ৰাজৰোষত সমধৰ্মীসকলৰ কাৰাবাসৰ দুখ-দুৰ্দশা দেখি তেওঁ গোপনে ধৰ্মবন্দীসকলক সহায় কৰিবলৈ ধৰিলে। মানুহৰ মাৰফৎ বন্দীবোৰৰ বাবে তেওঁ খাদ্যদ্ৰব্য, কম্বল আৰু অন্যান্য আৱশ্যকীয় বস্তু পঠিয়াব ধৰিলে। কিন্তু এটা সময়ত কথাটো গোপন হৈ নাথাকিল। গুপ্তচৰৰ মাধ্যমত খবৰ পাই সম্ৰাটে ভেলেণ্টাইনক বন্দী কৰি লৈ আহিল। মুক্তিৰ চৰ্ত দিলে, 'ধৰ্ম পৰিত্যাগ কৰি পূজা কৰা ৰোমান দেৱ-দেৱীক।' সন্মত নহ'ল ভেলেণ্টাইন। দৃঢ়কণ্ঠেৰে উত্তৰ দিলে, 'প্ৰয়োজন হ'লে মৰিম, তথাপিও ধৰ্ম ত্যাগ নকৰোঁ।' -'তেতিয়াহ'লে অৱধাৰিত মৃত্যুৰ বাবে সাজু হোৱা।' সন্ত ভেলেণ্টাইনৰ মৃত্যুদণ্ড ঘোষণা কৰিলে সম্ৰাট ক্লডিয়াচে। এপয়েক পিছত, ১৪ ফেব্ৰুৱাৰী তাৰিখে কাৰ্যকৰী কৰা হ'ব দণ্ডাজ্ঞা।

সেইসময়ত ৰোম সাম্ৰাজ্যত মৃত্যুদণ্ড আছিল অতি নিৰ্মম। উন্মুক্ত পথাৰত হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত দণ্ডিতক প্ৰথমতে লোৰ দণ্ডেৰে কোবাই ৰক্তাক্ত কৰা হৈছিল। তাৰপিছত অৰ্ধমৃত মানুহজনৰ কৰা হৈছিল শিৰচ্ছেদ।

১৪ দিন কাৰাবাসৰ বাবে সন্ত ভেলেণ্টাইনক পঠিয়াই দিয়া হ'ল ওচৰৰ এটি দুৰ্গৰ নিৰ্জন কাৰাগাৰত। আন্ধাৰ সেই কাৰাকক্ষত মমবাতিৰ সামান্য পোহৰত দিন পাৰ হয় প্ৰৌঢ় ভেলেণ্টাইনৰ।

দুৰ্গৰক্ষকে জানিছিল, ভেলেণ্টাইন কেৱল ধৰ্মানুৰাগী পাদ্ৰীয়েই নহয়, চিকিৎসাবিদ্যাতো পাৰদৰ্শী তেওঁ। তাৰোপৰি ঐশী শক্তিৰ বলত তেওঁ বহুতকে ৰোগমুক্ত কৰিছে। দুৰ্গৰক্ষকৰ একমাত্ৰ কিশোৰী কন্যা প্লাতিনা আছিল জন্মান্ধ। সিদিনাখন ৰাতি প্ৰচণ্ড মূৰৰ বিষত ছটফটাই আছিল প্লাতিনা। সন্তানস্নেহত ৰাজকৰ্তব্য পাহৰি দুৰ্গৰক্ষক লৰৰি যায় কাৰাগাৰলৈ। সন্ত ভেলেণ্টাইনৰ ওচৰত মিনতি জনাই ক'লে, 'বন্দী হ'লেও আপুনি চিকিৎসক। মোৰ একমাত্ৰ ছোৱালীজনী হঠাতে অসুস্থ হৈ পৰিছে। আপুনি বলকচোন-এবাৰ তাইক চাব।' দুৰ্গৰক্ষকৰ কথা ৰাখিছিল ভেলেণ্টাইনে। ছোৱালীজনীৰ মূৰত হাত ফুৰাই কৈছিল, 'সোনকালে ভাল হৈ যাবা।' কিছুসময় পিছতেই টোপনি গৈছিল প্লাতিনা। টোপনিৰ মাজতেই তাই অনুভৱ কৰিছিল এক অপূৰ্ব স্পৰ্শৰ নিৰ্ভৰতা।

পিছদিনাখনেই অন্ধ প্লাতিনাৰ বিষাদময় জীৱনলৈ আহিছিল এক জোৱাৰ, স্বৰ্গীয় প্ৰেমৰ জোৱাৰ। তাইৰ উৎসাহ, উদ্দীপনা আৰু উচ্ছলতা দেখি পিতা আনন্দত অভিভূত। প্লাতিনাই পিতাৰ ওচৰত গোহাৰি জনালে, বন্দী চিকিৎসকৰ সৈতে দেখা কৰিব তাই।

-তুমি অন্ধ, তেওঁক কিদৰে দেখিবা?

-তেওঁৰ হাতৰ স্পৰ্শতেই মই তেওঁক দেখিবলৈ পাইছোঁ পিতা।

-মই ৰাজকৰ্মচাৰী, আনহাতে চিকিৎসক ৰাজদ্ৰোহী বন্দী। কেনেকৈ তেওঁৰ লগত তোমাৰ সাক্ষাতৰ ব্যৱস্থা কৰোঁ?

-ৰাতিৰ আন্ধাৰত পিতা। সকলোৰে যেতিয়া টোপনি যাব, মই গোপনে তেতিয়া কাৰাগাৰলৈ যাম।

-কোনে তোমাক তালৈ লৈ যাব?

-মই অকলেই যাব পাৰিম পিতা। তুমিতো জানাই, অন্ধ হ'লেও মোৰ অনুভূতি অতি প্ৰখৰ।

ৰাজকৰ্তব্য আৰু পিতৃত্বৰ সংঘাতত সিদিনা জয়ী হৈছিল পিতৃত্ব। পিতাৰ প্ৰশ্ৰয়ত প্ৰতি ৰাতিয়েই আহে প্লাতিনা নিৰ্জন কাৰাকক্ষলৈ। অন্ধৰ দৃষ্টিৰে তাই দেখে ভেলেণ্টাইনক। সেই দৃষ্টিত ভেলেণ্টাইন এক ঈশ্বৰপ্ৰেৰিত ৰাজকুমাৰ। ফুচফুচাই কথা পাতে দুয়ো। প্ৰৌঢ়ৰ প্ৰতিটো কথাই যেন মধুৰ আৱেশত ভৰাই দিয়ে প্লাতিনাৰ দেহ-মন। দুই অসম-বয়সী নৰ-নাৰীৰ মাজত কি কথা হয়, সেয়া কোনেও নাজানে। কিন্তু ছোৱালীজনীয়ে যে এক অপূৰ্ব তৃপ্তি লৈ ঘৰলৈ ঘূৰি আহে, পিতা দুৰ্গৰক্ষকে সেয়া ভালকৈয়ে অনুমান কৰিব পাৰে।

এইদৰে প্ৰতিৰাতি দুয়োৰে সাক্ষাৎ চলি থাকোতে ফেব্ৰুৱাৰীৰ ১৪ তাৰিখ আহি পালে। ৰাতিপুৱা সাত বাজিছে। বধ্যভূমিলৈ লৈ যোৱাৰ আগতে সন্ত ভেলেণ্টাইনে কাকতৰ টুকুৰা এটি দুৰ্গৰক্ষকৰ হাতত দি ক'লে, 'মোৰ মৃত্যুৰ পিছত এই কাকতখন প্লাতিনাৰ হাতত দিব।'

দুৰ্গৰ সন্মুখত বিশাল পথাৰত কেইবাহাজাৰ দৰ্শকৰ উপস্থিতিত প্ৰথমে লোৰ দণ্ডেৰে কোবাই ৰক্তাক্ত কৰা হ'ল ভেলেণ্টাইনক। তাৰপিছত কৰা হ'ল শিৰচ্ছেদ। অতি নৃশংসভাৱে হত্যা কৰা হ'ল ৰাজবিদ্ৰোহী সন্ত ভেলেণ্টাইনক।

ঘৰলৈ ঘূৰি আহি দুৰ্গৰক্ষকে জীয়েকৰ হাতত দিলে সেই অকণমানি চিঠিখন। কাকতখন খোলাৰ লগে লগে তাৰপৰা সৰি পৰিল এটি হালধীয়া গোলাপ ফুল। প্লাতিনাই স্পষ্ট দেখিবলৈ পালে চিঠিত লিখা আছে, 'উইথ্‌ লাভ ফ্ৰম ইয়োৰ ভেলেণ্টাইন।' প্লাতিনাই চিঞৰি কৈ উঠিল, 'পিতা মই দেখিব পাইছোঁ, পঢ়িব পাৰিছোঁ।' দুৰ্গৰক্ষকৰ চকুত আনন্দাশ্ৰু। তেওঁৰ মুখেৰে আপোনা-আপুনি ওলাই আহিল, 'মিৰাক্‌ল্‌।'

প্ৰেমৰ প্ৰথম শ্বহীদ ভেলেণ্টাইনৰ মৃত্যুৰ দুশ বছৰ পিছত, পোপ গেলাচিয়াচে ১৪ ফেব্ৰুৱাৰী দিনটোৰ নাম দিলে 'ভেলেণ্টাইন্‌চ্‌-ডে।' সেইদিনাৰপৰাই 'প্ৰেমৰ দিন'ৰ মৰ্যাদা পালে এই দিনটো। ইয়াৰ বাণিজ্যিক ব্যৱহাৰ আৰম্ভ হয় বহু পিছত, ১৮০১ চনত উৎসৱ পালনৰ মাজেৰে। সেই তেতিয়াৰপৰাই ক্ৰমাগত জনপ্ৰিয় হৈ উঠিছে ভেলেণ্টাইন্‌চ্‌-ডে উদ্‌যাপনৰ উৎসৱ।

ম'বাইল ঃ ৮৭৬১৮-৬৫৮৮৫

# নগাঁৱৰ পলাশনী প্ৰাথমিক বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান 'কথামালিকা' সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁৱৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত ৬৪৯ নং পলাশনী প্ৰাথমিক বিদ্যালয়ত যোৱা ১৫ মাৰ্চত 'কথামালিকা' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে বিদ্যালয়ৰ প্ৰাতঃসভাৰ অন্তত অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে ম'হখুলি শ্বহীদ অনিল বৰা স্মৃতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ভোলানাথ শইকীয়াই। উদ্বোধনী ভাষণত তেওঁ কথাৰ মেলত ভাষণ কেনেকৈ শুৱলা কৰিব পাৰি আৰু কৰৈয়ানী অঞ্চলৰ ভৱিষ্যত সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ভাস্কৰ মজলীয়া বিদ্যালয়ৰ শিক্ষয়িত্ৰী জুৰিমা চহৰীয়াই এটি সুন্দৰ গীত পৰিৱেশন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে কণ্ঠ কেনেকৈ শুৱলা কৰিব পাৰে সেই সম্পৰ্কত মতামত আগবঢ়ায়। ভাস্কৰ মজলীয়া বিদ্যালয়ৰ আন এগৰাকী শিক্ষক ৰাজকুমাৰ বৰাই গণিত বিষয়ক কেনেকৈ নিজৰ বন্ধু কৰি ল'ব পাৰি সেই সম্পৰ্কে বক্তব্য ৰাখে। একেদৰে বিশিষ্ট খেলুৱৈ পবিত্ৰ বৰাই খেলৰ উপকাৰিতা আৰু খেলৰ দ্বাৰা শিশুৱে কেনেদৰে ভৱিষ্যত গঢ়িব পাৰে সেই বিষয়ে উল্লেখ কৰে। সাংবাদিক জয়ন্ত বৰাই কাকত-আলোচনীৰ ভৱিষ্যত সম্পৰ্কে আৰু ছাত্ৰ সমাজে লেখা-মেলাৰ প্ৰতি আগ্ৰহী হোৱাৰ ক্ষেত্ৰত কৰণীয় দিশবোৰৰ ওপৰত মন্তব্য আগবঢ়ায়। শ্বহীদ অনিল বৰাৰ কনিষ্ঠ ভাতৃ অপূৰ্ব কুমাৰ বৰাই অনিল বৰাৰ জীৱন সম্পৰ্কে বক্তব্য আগবঢ়াই আৱেগিক হৈ পৰে। ইফালে, নাট্যকাৰ সোনাৰাম বৰা, সমাজ সংগঠক দিলীপ বৰা, ক্ষীৰ কান্ত শৰ্মা, ধীৰেণ বৰা, দীপাংকৰ বৰা আদিয়েও এই বিশেষ অনুষ্ঠানত বক্তব্য ৰাখে। কথা বাৰ্তাৰ মাজে মাজে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে মৃন্ময় বৰা, স্বাগতা বৰা, ৰশ্মি বৰা আদিয়ে বিভিন্ন নৃত্য পৰিৱেশন আৰু উৎপল কেওটে এটি কবিতা আবৃত্তি কৰি সকলোকে সন্মোহিত কৰে। সামগ্ৰিকভাৱে অনুষ্ঠানটিৰ আঁত ধৰে মুকুট গোহাঁই, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দীপা বৰা আৰু শিক্ষক, লেখক দ্বীপজ্যোতি বৰাই। 'কথামালিকা' অনুষ্ঠানত অৰ্ধ শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে, 'কথামালিকা' শীৰ্ষক এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ষেত্ৰত উৎসাহিত কৰাই প্ৰধান লক্ষ্য হিচাপে গণ্য কৰি সমাজৰ বিভিন্ন পৰ্যায়ৰ লোকক আমন্ত্ৰণ জনোৱা হৈছে।

### বিশ্বনাথত উত্তৰ-পূৰ্বাঞ্চল লোক কল্যাণ সমিতি আৰু বিশ্বনাথ জিলা বিবাহ সমিতিৰ উদ্যোগত সামূহিক বিবাহ সম্পন্ন

# বিশ্বনাথৰ কমলাকান্ত ক্ষেত্ৰত প্ৰায় ২০৪ জোৰা দৰা-কইনাৰ সামূহিক বিবাহ সম্পন্ন হয়

**চন্দন শৰ্মা, তেজপুৰ ঃ** বিশ্বনাথৰ কমলাকান্ত ক্ষেত্ৰ প্ৰাঙ্গণত মঙলবাৰে উত্তৰ-পূৰ্বাঞ্চল লোক কল্যাণ সমিতি আৰু বিশ্বনাথ জিলা বিবাহ সমিতিৰ উদ্যোগত সামূহিক বিবাহ সম্পন্ন হয়। পুৱাই পানী তোলা কাৰ্যসূচীৰে শুভাৰম্ভ কৰি উক্ত সামূহিক বিবাহস্থলীত সম্পূৰ্ণ মাংগলিক নিয়মেৰে প্ৰায় ২০৪ জোৰা দৰা-কইনাৰ বিবাহকাৰ্য সম্পন্ন হ'ল। পুৰুহিতৰ মন্ত্ৰোচ্চাৰণ হোম যজ্ঞৰ লগতে নাম প্ৰসংগৰে প্ৰায় ২০৪ জোৰা দৰা-কইনাৰ বিবাহকাৰ্য সম্পন্ন কৰে। উত্তৰ-পূৰ্বাঞ্চল লোক কল্যাণ সমিতিৰ প্ৰান্তৰ প্ৰমুখ যোগেশ শাস্ত্ৰী, লক্ষিমপুৰ বিভাগ সংযোজিকা ৰূপামণি নাথ, প্ৰাঞ্জল বসুমতাৰীৰ লগতে সমূহ বিষয়ববীয়াসকলে বিশেষভাৱে উদ্যোগ লয়। উক্ত বৃহৎ সামূহিক বিবাহ অনুষ্ঠানত প্ৰশাসন, চিকিৎসা বিভাগৰ লগতে জৰুৰীকালীন বিভাগে বিশেষ তৎপৰতা লোৱা দেখা যায়।



# শুৱালকুছিত পেট্ৰেল-ডিজেল ডিপো উদ্বোধনত হেমন্ত চৌধুৰী



**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছিত পেট্ৰল-ডিজেল ডিপো এটা মুকলি কৰা হয়। শুৱালকুছি পদ্মৰাম কাকতি পথত উদীয়মান যুৱক ৰাণা ভৰালীৰ মালিকাধীন 'জয় জগন্নাথ' নামৰ পেট্ৰল-ডিজেল ডিপোটি আনুস্থানিকভাৱে উদ্বোধন কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে বিজেপি নেতা প্ৰকাশ দাস, মুখ্যমন্ত্ৰীৰ সহায়ক দিগন্ত শৰ্মা, শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত, বিজেপি মহিলা মৰ্চাৰ সভাপতি পাৰুল মণি দাস, বিশিষ্টা মহিলা বেবী দাস প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# আমাৰ গাঁও আৰু পৰিৱেশ

■ **মৰমী আহমেদ**
নলবাৰী

**গাঁ**ও বুলি ক'লেই আমি বুজি লওঁ জাতি, ধৰ্ম নিৰ্বিশেষে বসতি কৰা এখন সমাজ। যিখন সমাজত প্ৰতিফলিত হয় তাত বসবাস কৰা প্ৰতিটো ধৰ্মৰে ধৰ্মীয় পৰম্পৰা আৰু প্ৰকাশ পায় পূৰ্বৰ ঐতিহ্য, সমন্বয় আৰু সৌন্দৰ্য্যৰ বিশাল গৌৰৱময় যাত্ৰা। গাঁও বুলি ক'লেই তৎক্ষণাৎ আমাৰ মনলৈ আহে চৌদিশে সেউজীয়া আৱৰণেৰে পৰিবৃত প্ৰাকৃতিক পৰিৱেশৰ সেই মনোমোহা দৃশ্যবোৰৰ কথা। যিবোৰ দৃশ্যই আমাৰ চকু, মন সকলো পৱিত্ৰ কৰি তোলাৰ লগতে হৃদয়লৈ আনি দিয়ে এক অনাবিল প্ৰশান্তি। ৰাতিপুৱা শোৱাপাটিৰ পৰা উঠিয়েই যেতিয়া আমি সেউজীয়া গছ গছনিলৈ বুলি চকু ফুৰাও সঁচাকৈয়ে আমাৰ দেহ মনবোৰ যে সতেজ অনুভৱ কৰোঁ। ইয়াৰ উপৰিও গাঁৱৰ চৌদিশে থকা খেতি পথাৰ, মানুহৰ ঘৰৰ সন্মুখত, ঘৰৰ পিছফালে বা গাঁৱৰ মধ্যম ঠাইসমূহত থকা খাল, পুখুৰীবোৰেও আমাৰ মনলৈ আনি দিয়ে সৌন্দৰ্য্যৰ চকামকা পোহৰ। ঠিক একেদৰে অসমীয়া গ্ৰাম্যজীৱনত এনে বহু দৃশ্য আছে যিবোৰ দৃশ্যই বাৰুকৈয়ে প্ৰতিজন ব্যক্তিকেই আপ্লুত কৰি তোলে বা গাঁৱৰ যি সৌন্দৰ্য্য তাক আৰু অধিক মহিমামণ্ডিত কৰি তোলে। যেনে - ঢল পুৱাতে গোহালিৰ পৰা গৰু উলিয়াই পথাৰলৈ বুলি চৰাবলৈ নিয়া, প্ৰকৃতিৰ নিয়ম আৰু সৃষ্টি অনুসৰি শাওণৰ মাহত সপোন সিচিবলৈ বুলি ওলাই যোৱা সেই সপোন বুটলিবলৈ বুলি আকৌ আঘোণ মাহৰ পৰা আৰম্ভণি কৰা সেই দিনবোৰেই যেন আমাৰ মনত জগাই তোলে গাঁৱলীয়া অনুভৱৰ বিশেষ সুখ আৰু আনন্দখিনি। মুঠতে গাঁও বুলি ক'লেই যে অনুভৱৰ সমাহাৰ। যাক কেতিয়াও প্ৰকাশ কৰি শেষ কৰিব নোৱাৰি। ইমান কম সময়ৰ ভিতৰত গাঁৱৰ প্ৰতিটো দিশ উপস্থাপন কৰিব পৰাটো ইমান সহজ নহয়। আমি জানোৱেই এখন গাঁৱৰ পৰিসৰ কিমান বহল। গতিকে সেই গাঁওখনৰ গোটেই বিশেষত্বখিনি যদি আমি প্ৰকাশ কৰিবলগীয়া হয় তেন্তে আমাক তাৰ বাবে বহুত সময়ৰ প্ৰয়োজন হ'ব। যিহেতু আমাৰ সময় যথেষ্ট কম গতিকে গাঁওসম্পৰ্কীয় কিবা লিখিবলৈ গ'লে থুলমূলকৈ হে উপস্থাপন কৰিব চেষ্টা কৰোঁ।

নিজৰ জন্মভূমিক জানো কোনোবাই বেয়া পায়, কোনেও নাপায় আৰু কেতিয়াও পাব নোৱাৰে। সকলোৰে মনত আপোন গাঁওখনি খুবেই সুন্দৰ। তেওঁলোকে জন্ম হৈ ডাঙৰ দীঘল হৈ যদি কোনোৱে কেতিয়াবা শিক্ষাৰ ক্ষেত্ৰতে হওঁক অথবা চাকৰি সূত্ৰে হওঁক বা নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যতটো সুৰক্ষিত হ'ব বুলিয়েই গাঁও এৰি চহৰত থাকিবলৈ লয় তথাপিও কিন্তু তেওঁলোকে জন্মদ্ধাত্ৰী সেই গাঁওখনক কেতিয়াও পাহৰি যাব নোৱাৰে মাথোঁ গাঁওখনৰ পৰা আঁতৰত হে থাকিব পাৰে। মাহেকে, পযেকে হওঁক বা কোনো উৎসৱ-পাৰ্বন, অনুষ্ঠানৰ সংগতি লাগিয়েই হওঁক সেইসকল ব্যক্তিয়েই আপোন গাঁওখনলৈ অহা যোৱা কৰিয়েই থাকে। কাৰণ গাঁওখনৰ প্ৰতি তেওঁলোকৰ ভালপোৱা আছে, এক গৌৰৱোজ্বল মায়াই তেওঁলোকক ধৰি ৰাখিছে যাতে গাঁওখনৰ পৰা বা নিজ ঘৰখনৰ পৰা দূৰত থাকিলেও ঘৰখনৰ দায়িত্ব আৰু গাঁৱৰ প্ৰতি থকা আন্তৰিকতা যেন কোনোদিনেই শেষ হৈ নাযায়।

ঠিক তেনেকুৱা বিশেষত্বৰে পৰিপূৰ্ণ মোৰ আপোন গাঁওখনো। যিখন গাঁৱতেই আমি জন্ম হওঁ তাৰ পৰাই আমি নানা সপোন দেখো। ইয়াৰেই কিছু পূৰ্ণ হয় আৰু কিছু অপূৰ্ণ হৈ ৰয়। তথাপিও কিন্তু আমাৰ গাঁৱৰ সৌন্দৰ্য্য সদায় অপূৰ্ব।

এজনী গাঁৱলীয়া ছোৱালী হিচাপে মই সদায়েই গৌৰৱান্বিত। জন্মৰে পৰাই এতিয়ালৈকে গাঁওখনত যিটো পৰিৱেশ পাই আহিছোঁ সঁচাকৈয়ে মোৰ বাবে গৌৰৱৰ দিশ। মই বাস কৰা গাঁওখনৰ সবাতোকৈ ভাললগা দিশটোৱেই হৈছে হিন্দু আৰু মুছলিমৰ মাজত থকা একতা। যাৰ বাবে আমি এতিয়ালৈকে ইমান সুন্দৰকৈ মিলাপ্ৰীতিৰে চলি আহিছোঁ। গাঁওখনত বসবাস কৰা উভয় ধৰ্মৰে যি সমূহ উৎসৱ পাৰ্বন সেই সকলোবোৰতে দেখিবলৈ পাওঁ আমি সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন।

বৰ আজাৰা নামে পৰিচিত আমাৰ এই গাঁওখন যদিও কিছু ভিতৰুৱা তথাপিও কিন্তু ইয়াৰ সৌন্দৰ্য্য আৰু গুণ গৰিমা অতিকৈ তাৎপৰ্যপূৰ্ণ। পূৰ্ব দিনৰে পৰাই চলি অহা সামাজিক, সাংস্কৃতিক আৰু মানৱীয়তাৰ যি এক নিদৰ্শন সঁচাকৈয়ে ই লেখত ল'বলগীয়া। গাঁওখনৰ মধ্যম ভাগৰ পশ্চিম দিশত প্ৰতিষ্ঠিত শিক্ষানুস্থান বৰ আজাৰা প্ৰাথমিক বিদ্যালয়খনেও গাঁওখনৰ সৌন্দৰ্য্য আৰু অধিক অতিৰঞ্জিত কৰি তোলা দেখা যায়। বিদ্যালয় চৌহদত ফুলৰ পৰা গছ-গছলৈকে সেউজীয়াৰ যি মাত্ৰা বাৰুকৈয়ে ই প্ৰতিজন ব্যক্তিকে মুগ্ধ কৰি তোলে।

সময় আৰু পৰিস্থিতিৰ সোঁতত পৰি যদিও গড়কণা নামে এই চুবুৰীটো বৰ্তমান দুটা ভাগত বিভক্ত হৈ পৰিছে তথাপিও কিন্তু হিন্দু মুছলিমৰ একতাখিনি এতিয়াও ঠিকেই আছে। মাথোঁ তেওঁলোকৰ মাজত কোনো বিষয়ত সৃষ্টি হোৱা মতানৈক্যৰ ফলত এনেকুৱা এটা পদক্ষেপ ল'বলগীয়াত পৰিলে। গাঁওখনৰ বিভক্ত অংশ দুটাত নিৰ্মিত নামঘৰ দুটাৰ সৌন্দৰ্য্যই ও কিন্তু গাঁওখনক সুন্দৰকৈ সজাই ৰাখিছে। পুৱা গধূলি নামঘৰত ধ্বনিত ভক্তিমূলক গীতেই যেন গোটেই গাঁওবাসীৰ মনলৈ পৱিত্ৰ আৰু শুদ্ধি ভাব আনি দিয়ে।

মুঠতে আমি কৈ শেষ কৰিব নোৱাৰিম এখন গাঁৱৰ মহিমামণ্ডিত কাহিনী। গাঁও মানেই সৌন্দৰ্য্যৰ এক সুকীয়া স্থিতি, গাঁও মানে সুখৰ অপূৰ্ব হাঁহি, গাঁও মানেই যেন এজাক সপোনৰ চানেকি।



# বে-দখল উচ্ছেদৰ দাবীত টাঙোনমাৰীত বেচৰকাৰী মৌজা পঞ্চায়তৰ ৰাজহুৱা সভা



**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ অন্তৰ্গত টাঙোনমাৰীত মথাউৰিৰ কাষতে থকা একোৱাৰৰ মাটি বে-দখল উচ্ছেদ কৰাৰ দাবীত পশ্চিম বংশৰ মৌজা বে-চৰকাৰী পঞ্চায়তৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বলেন চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মৌজাখনৰ অভিৱাবক স্বৰূপ বিশিষ্ট শিক্ষাবিদ সূৰ্যকান্ত কলিতাই বহুত দিনৰ পৰা একোৱাৰৰ মাটি বে-দখল হৈ থকাত উদ্বেগ প্ৰকাশ কৰে। নিকুঞ্জ কুমাৰ শৰ্মাই সভাৰ উদ্দেশ্য ব্যখা কৰা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পংকজ কলিতা উপস্থিত থাকি। অতিশীঘ্ৰেই একোৱাৰৰ মাটি বে-দখল উচ্ছেদ কৰি পশ্চিম বংশৰ মৌজা বে-চৰকাৰী পঞ্চায়তৰ উদ্যোগত খিলঞ্জীয়া কৃষকসকলক খেতি কৰিবলৈ উৎসাহ প্ৰদান কৰিব লাগে বুলি মন্তব্য কৰে ছাত্ৰ নেতা গৰাকীয়ে স্পৰ্শকাতৰ অঞ্চলটোত এচাম বিশেষ সম্প্ৰদায়ৰ লোকে বহুত বছৰ ধৰি চৰকাৰী ভূমি বে-দখল কৰি থৈ দিয়া পৰিলক্ষিত হৈছে আৰু এই ক্ষেত্ৰত চৰকাৰী ভূমি বে-দখল মুক্ত কৰাত হাজো প্ৰশাসন সম্পূৰ্ণ ব্যৰ্থ হৈছে মন্তব্য কৰে ছাত্ৰনেতা গৰাকীয়ে। উক্ত ৰাজহুৱা সভাতে একোৱাৰৰ কিছু অংশ মাটি কোনো সন্দেহযুক্ত লোকে বে-দখল কৰিব নোৱাৰাকৈ অকণ কলিতা আৰু সুৰেন পাটোৱাৰীক খেতি কৰিবলৈ সভাই আহ্বান জনায়। আৰু বৰ্তমান সময়তো যি অংশ একোৱাৰৰ মাটি সন্দেহযুক্ত লোকে বে-দখল কৰি থৈ দিছে, সেই অংশ মাটি অতিশীঘ্ৰেই সন্দেহযুক্ত লোকৰ কবলৰ পৰা মুক্ত কৰিবলৈ সভাই হাজো ৰাজহ চক্ৰ বিষয়াক দাবী উত্থাপন কৰে।

# বীৰ চিলাৰায় দিৱসৰ দিনা দিল্লীত কামতাপুৰ ৰাজ্যৰ দাবী

## কোচ বংশৰ কুমাৰ জিতেন্দৰ নাৰায়ণৰ গৃহমন্ত্ৰী এ কে মিশ্ৰক সাক্ষাৎ



**অৰুণ বৰ্মণ, নতুন দিল্লী ঃ** সুকীয়া নতুন ৰাজ্য কামতাপুৰৰ বাবে দাবী উত্থাপন হৈছে। শেহতীয়াকৈ কোচবংশ আৰু কোচবিহাৰ ৰাজপৰিয়ালৰ সদস্য কুমাৰ জিতেন্দৰ নাৰায়ণে কোচবিহাৰ কল্যাণৰ হৈ বৰ্তমানৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী এ কে মিশ্ৰক সাক্ষাৎ কৰি ভাৰতীয় সংবিধানৰ অধীনত কামতাপুৰ নামেৰে সুকীয়া ৰাজ্য গঠনৰ দাবী জনায়। শ্ৰীমিশ্ৰই তেওঁৰ কথা আৰু সুকীয়া ৰাজ্যৰ দাবী অতি মনোযোগেৰে শুনিছিল। এই বিষয়ে কেন্দ্ৰই এতিয়ালৈকে অৱগত নাছিল। চিলাৰায় কোচ বংশৰ এগৰাকী অতি বিখ্যাত যোদ্ধা আছিল। চিলাৰায়ৰ জন্মদিন উপলক্ষে তেওঁৰ ওপৰত এখন গ্ৰন্থ প্ৰকাশ কৰা হৈছে। গ্ৰন্থখনৰ লেখক সুভ্ৰা জ্যোতি ভৰালী। গ্ৰন্থখনত কোচ ৰাজ্য আৰু চিলাৰায়ৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰা হৈছে। এইবাৰ কুমাৰ জিতেন্দৰ নাৰায়ণৰ দিল্লী ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ। যথেষ্ট দিনৰ পৰা কামতাপুৰৰ বাবে পৃথক ৰাজ্যৰ দাবীত ব্যাপক আন্দোলন চলি আহিছে। বিগত বৰ্ষতো জানুৱাৰী মাহত কামতাপুৰ ছাত্ৰ সন্থাৰ সমৰ্থকে কামতাপুৰৰ দাবীত জলপাইগুৰি জিলাৰ মাইনাগুৰিকে ধৰি সমগ্ৰ অঞ্চলটোৰ ৰে'লপথ অৱৰোধ কৰিছিল। এই বিষয়ত হুলস্থুলৰ সৃষ্টি হৈছে যদিও ৰাজ্যিক বিজেপিৰ নেতৃত্বই ইয়াক মানি ল'বলৈ সাজু হোৱা নাই। ইয়াৰ পিছতো বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সুশান্ত মজুমদাৰে ইয়াক উত্তৰ-পূব বংগৰ পৰা পৃথক কৰি ৰাখিবলৈ দাবী জনাইছিল। এই প্ৰস্তাৱ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সন্মুখত ৰাখিছিল মন্ত্ৰী সুশান্তই। সেই সময়ত কামতাপুৰ পিপলছ পাৰ্টিয়ে কামতাপুৰৰ বাবে অসমৰ আশে-পাশে থকা উত্তৰ বংগ, ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, কোকৰাঝাৰ আৰু চিৰাং জিলাক সামৰি এখন সুকীয়া ৰাজ্য আৰু কামতাপুৰী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী জনাইছিল। বহু বছৰ ধৰি এই দাবী উত্থাপন হৈ আহিছে যদিও এতিয়াও বিবেচনা কৰা হোৱা নাই।




Janasanyog RO no 4494/24/21-Feb-25

# নগাঁৱৰ দক্ষিণ-পূৱ বাৰগএঞা সমাজৰ ষষ্ঠ সংখ্যক ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও চহৰৰ সমীপৰ পাঠৰী চাৰিআলিৰ তেলীয়া পুখুৰী পাৰত দক্ষিণ-পূৱ নগাঁও বাৰগএঞা সমাজৰ উদ্যোগত ষষ্ঠ সংখ্যক ভাওনা সমাৰোহৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ২১, ২২ আৰু ২৩ মাৰ্চত অনুষ্ঠিত হ'বলগা ভাওনা সমাৰোহৰ যোৱা ১৬ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰা হয়। দক্ষিণ-পূৱ নগাঁও বাৰগএঞা সমাজৰ উদ্‌যাপন সমিতিৰ সভাপতি তথা নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। লাইখুঁটা স্থাপন কৰাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে দক্ষিণ-পূৱ নগাঁও বাৰগএঞা সমাজৰ প্ৰাক্তন কাৰ্যকৰী সভাপতিদ্বয় প্ৰফুল্ল চন্দ্ৰ মুক্তিয়াৰ আৰু ৰমেশ চন্দ্ৰ ভূএঞাই। ধূপ প্ৰজ্বলন কৰে বাৰগএঞা সমাজৰ উপদেষ্টাদ্বয় ৰামেশ্বৰ বৰা আৰু কমল চন্দ্ৰ শইকীয়াই। এই উপলক্ষে অনুষ্ঠিত এখন সভাত উদ্‌যাপন সমিতিৰ সভাপতি ৰূপক শৰ্মাই অনুষ্ঠানটো সুকলমে সম্পন্ন কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। দক্ষিণ-পূৱ নগাঁও বাৰগএঞা সমাজৰ কাৰ্যকৰী সভাপতি যতীন্দ্ৰ নাথ সূত আৰু সাধাৰণ সম্পাদক চন্দ্ৰ কান্ত কেওটে সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানটোত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ভূপেন বৰা, কলং-কপিলী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ৰেক্টৰ তথা শিক্ষা সংগঠক বিধান বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত দক্ষিণ-পূৱ নগাঁও বাৰগএঞা সমাজৰ ষষ্ঠ সংখ্যক ভাওনা সমাৰোহ উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক ধীৰেন চক্ৰৱৰ্তী, প্ৰদীপ চন্দ্ৰ বৰাৰ লগতে ভদ্ৰ কান্ত মুক্তিয়াৰ, কুলেন চন্দ্ৰ বৰা, ৰাতুল কুমাৰ বৰা, ৰঞ্জিত কুমাৰ বৰা, ফুলধৰ হাজৰিকা, গোলাপ চন্দ্ৰ কলিতা, ভবেন বৰুৱা, দীনেশ হাজৰিকা, তুলাৰাম শইকীয়া, শৰৎ শইকীয়া, অঞ্জু কুমাৰ হাজৰিকা, নীলমণি বৰা, দীপক বৰা, শুভ প্ৰসাদ বাৰিক, ড° বসন্ত বৰা, জিতেন ভূএঞা প্ৰমুখ্যে ডেৰ শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে ১৯৮৯ চনত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই ভাওনা সমাৰোহ প্ৰতি চাৰি বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত হৈ আহিছে।

# কামৰূপ জিলাত চৰকাৰীভাৱে সংৰক্ষিত চৰণীয়া পথাৰ সংৰক্ষণৰ উদ্দেশ্য কেতবোৰ নিষেধাজ্ঞা জাৰি

**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ চৰকাৰীভাৱে সংৰক্ষিত গৰু চৰণীয়া পথাৰসমূহ অনুষ্ঠান বা ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰা, নিৰ্মাণকাৰ্য কৰাকে ধৰি যিকোনো প্ৰকাৰৰ সমূহীয়া কাম-কাজত ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। লগতে উক্ত চৰণীয়া পথাৰসমূহ বেদখল কৰা, তাত অকৰ্তৃত্বশীল নিৰ্মাণ বা ভূমিৰ ব্যৱহাৰত পৰিৱৰ্তন কৰাতো কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিৰ্দিষ্ট পথাৰসমূহ স্থানীয় লোকে তেওঁলোকৰ গৰু-ম'হ চৰোৱাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব যদিও চৰণীয়া পথাৰসমূহৰ বহনক্ষম ব্যৱহাৰৰ বাবে নিয়মাৱলী বনাব লাগিব। উল্লেখ্য যে গুৱাহাটী উচ্চন্যায়ালয়ে ২০২১ চনৰ ২৬ মাৰ্চত ১৬/২০২১ নম্বৰৰ এক ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনত কামৰূপ জিলাৰ চৰকাৰী সংৰক্ষিত গৰু চৰণীয়া পথাৰসমূহ সংৰক্ষণৰ বাবে নিৰ্দেশ প্ৰদান কৰাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এনে পথাৰত অকৰ্তৃত্বশীলভাৱে সমূহীয়া কাম-কাজত ব্যৱহাৰ হৈ অহা তথা বেদখল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এনেধৰণৰ গতিবিধিয়ে পৰিৱেশৰ অৱনতি ঘটোৱাৰ লগতে স্থানীয় লোকসকলক তেওঁলোকৰ এই গুৰুত্বপূৰ্ণ সম্পদসমূহৰ ব্যৱহাৰৰ অধিকাৰৰ পৰা বঞ্চিত কৰা আৰু ইয়ে গ্ৰাম্য অৰ্থনীতি আৰু পশুপালনত ব্যাঘাত জন্মোৱাও দেখা গৈছে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। লগতে এনে চৰণীয়া পথাৰসমূহৰ ৰক্ষণাবেক্ষণ অঞ্চলটোৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য আৰু কৃষি অৰ্থনীতিৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলিও নিৰ্দেশটোত উল্লেখ আছে। এই নিৰ্দেশৰ উলংঘা কৰিলে বি এন এছৰ ২২৩ নং ধাৰা বা আইনৰ আন যিকোনো প্ৰাসংগিক বিধানৰ অধীনত শাস্তি প্ৰদান কৰা হ'ব।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে শিৱসাগৰত বি এন এচ এচ ১৬৩ আইনৰ অধীনত নিষেধাজ্ঞা জাৰি

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আই এ এছ আয়ুস গাৰ্গৰ স্বাক্ষৰিত নিৰ্দেশযোগে অসম মাধ্যমিক শিক্ষা ব'ৰ্ডৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত ১৩ ফেব্ৰুৱাৰী, ২০২৫ পৰা অহা ১৭ মাৰ্চ, ২০২৫ লৈকে পৰীক্ষা চলি থকা সময়ছোৱাত পৰীক্ষা কেন্দ্ৰসমূহ তথা ইয়াৰ আশে-পাশে কোলাহলপূৰ্ণ আৰু অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকা কৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অভিভাৱক/পিতৃ-মাতৃ তথা অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশ আৰু চলাচলত বাধা আৰোপ কৰা হৈছে। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ কিতাপ, কেলকুলেটৰ, ম'বাইল ফোন, বৈদ্যুতিক সামগ্ৰী, গাড়ীৰ চাবি আৰু অন্যান্য অপত্তিজনক সামগ্ৰী কঢ়িওৱাতো বাধা আৰোপ কৰা হৈছে। এই নিৰ্দেশ ভংগকাৰীসকল বি এন এছ ২২৩ ৰ অধীনত দণ্ডনীয় হ'ব বুলি জিলা প্ৰশাসনে উল্লেখ কৰিছে।

# শুৱালকুছিৰ উদীয়মান কবি ৰিতম কলিতাৰ ২৫ সংখ্যক জন্মদিন উপলক্ষে কবিতাৰ অনুষ্ঠান




**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছি অঞ্চলৰ উদীয়মান কবি ৰিতম কলিতাৰ ২৫ সংখ্যক জন্মদিন উপলক্ষে কবিতাৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। শুৱালকুছিৰ বৌদ্ধিক আড্ডাৰ অন্যতম স্থলী ৰিতম পুথিভঁৰালত অনুষ্ঠিত উক্ত কবিতা অনুষ্ঠান বিশিষ্ট কবি প্ৰাণজিৎ মহন্ত, অৱসৰী অধ্যক্ষ ডিম্বেশ্বৰ চৌধুৰী, শিক্ষক ভগৱান গোস্বামী, সাংবাদিক দিপাংকৰ শৰ্মা, শিল্পী নয়নমণি দাস, উদীয়মান সমাজকৰ্মী বিপুল বৈশ্য, বিশিষ্টা মহিলা ক্ৰমে যমুনা দুলু বৈশ্য, ৰাজশ্ৰী কলিতা, ললিতা দাস, উৰ্মীমালা দেৱী, স্বৰ্ণময়ী কলিতা, বৰ্ণালী দাস আদিয়ে একোটিকৈ কবিতা পাঠ কৰি কবিতাৰে পৰিৱেশটো জীপাল কৰি তোলে। বিশিষ্ট শিল্পী, অভিনেতা নয়নমণি দাসে আঁত ধৰা অনুষ্ঠানটিত শুৱালকুছি মহাবিদ্যালয়ৰ অধ্যাপক অতুল চন্দ্ৰ দাসে ৰিতম কলিতা কবিতা পুথি 'বিচ্ছেদৰ কাব্য'ৰ ওপৰত এক সুন্দৰ বিশ্লেষণ আগবঢ়ায়। তেওঁ গ্ৰন্থখনত প্ৰকাশ পোৱা ৰিতম কলিতাৰ কেইবাটিও কবিতাৰ ওপৰত বহল বাখ্যা আগবঢ়াই কবিৰ ভাৱধাৰা সমূহ উপস্থিত ৰাইজৰ মাজত বুজাই কয়। আৱেগৰ মাজত থাকি কবিয়ে কি দৰে কবিতাৰ সৃষ্টি কৰিব পাৰে তাৰো তেওঁ কিছু কিছু আভাস দাঙি ধৰে। অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় ৰিতম পুথিভঁৰালৰ সঞ্চালক বিকাশ কলিতাই। উল্লেখ্য প্ৰতি ইংৰাজী মাহৰ ১৬ তাৰিখৰ সন্ধিয়া পুথিভঁৰালটিত এটি বৌদ্ধিক আলোচনা অনুষ্ঠিত হয়। য'ত সাহিত্য, সংস্কৃতি, ভাষা, কৃষ্টি, কিতাপ-আলোচনী আদিৰ বিষয়ে বিষদভাৱে চৰ্চা কৰা হয়। প্ৰতিটো দিনতে একোগৰাকীকৈ অভিজ্ঞ ব্যক্তিক নিমন্ত্ৰণ কৰি বৌদ্ধিক চৰ্চাৰ পাতনি মেলা হয়। ৰিতম পুথিভঁৰালে বৃহত্তৰ শুৱালকুছি অঞ্চলত কিতাপ পঢ়াৰ এক আন্দোলন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। যাৰ বাবে পুথিভঁৰালটিৰ আদৰ পঢ়ুৱৈসকলৰ মাজত বৃদ্ধি পাইছে।

# শুৱালকুছিৰ ঐতিহাসিক শ্ৰীশ্ৰীহৰি-হৰ মন্দিৰত মাঘী পূৰ্ণিমাৰ সভা সম্পন্ন




**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ শুৱালকুছিৰ অন্যতম ঐতিহাসিক ধৰ্মপীঠ শ্ৰীশ্ৰীহৰি-হৰ মন্দিৰত পৱিত্ৰ মাঘী পূৰ্ণিমা উপলক্ষে সভা মহোৎসৱৰ অখণ্ড হৰিনাম কীৰ্তন আৰু কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠিত হয়। ১২ ফেব্ৰুৱাৰীত পুৱাৰে পৰা অগণন ভক্তৰ উপস্থিতিত মহা হোমাগ্নিৰে আৰম্ভ কৰা অনুষ্ঠানত ১৩ ফেব্ৰুৱাৰীৰ পুৱা ন বজাৰ পৰা ৰাইজৰ কুশল মঙ্গলৰ বাবে ৰচ ঘণ্টীয়া অখণ্ড হৰিনাম কীৰ্তন কৰে। পুৰুষ-মহিলাৰ দহোটিকৈ নাম দলে অংশগ্ৰহণ কৰা অখণ্ড হৰিনাম কীৰ্তন নিশা ন বজাত সামৰণি পৰে। লগে লগে মন্দিৰ প্ৰাঙ্গণত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কুমাৰ পাৰা শ্ৰীশ্ৰীহৰি-হৰ মন্দিৰ টুলীয়া ৰাইজ গয়ৰহৰ সভাপতি দীপক কুমাৰৰ পৌৰহিত্যত অনুষ্ঠিত সভাত যোৱা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক কলা আৰু বাণিজ্য শাখাত ডিষ্টিংচন ষ্টাৰ আৰু প্ৰথম বিভাগত সুখ্যাতি অৰ্জন কৰা একুৰিৰো অধিক স্বজাতি কুমাৰ সম্প্ৰদায়ৰ কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়। টুলীয়া ৰাইজৰ জ্যেষ্ঠ সদস্য ৰত্ন কুমাৰ দাসে আঁত ধৰা সম্বৰ্ধনা সভাত টুলীয়া ৰাইজৰ সম্পাদক নাৰায়ণ কুমাৰ জ্যেষ্ঠ সদস্য কুশল কুমাৰে অংশগ্ৰহণ কৰা সভাত দিলীপ কুমাৰে ছাত্ৰ-ছাত্ৰীসকলক দিয়া শুভেচ্ছামূলক বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলে আগন্তুক দিনত অধিক অধ্যয়নত ব্ৰতী হৈ ভৱিষ্যতৰ দিনত অধিক ফল লাভেই নহয় সমাজৰ এগৰাকী সু নাগৰিক হ'বলৈ আহ্বান জনায়। লগতে নিজৰ সন্তানক নীতি শিক্ষা আৰু সংস্কাৰ দিবলৈ পিতৃ-মাতৃক আহ্বান জনায়। সভাপতিৰ ভাষণত দীপক কুমাৰে ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনত অধিক ফল লাভ কৰি ৰাইজক আনন্দিত আৰু গৌৰৱান্বিত কৰিব বুলি আশা কৰি ভাষণ সামৰি সভা সামৰণি মাৰে।

# বংশৰত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত পৰিৱেশ বিজ্ঞানী ড° অৰণী কুমাৰ ভাগৱতী

## নদীবান্ধে ব্ৰহ্মপুত্ৰৰ চৰিত্ৰ সলনি কৰাৰ লগতে অসংখ্য উপনদীৰ মৃত্যু ঘটাইছে




**দিলীপ মেধি, শুৱালকুছিঃ** নদীৰ পৰাই সভ্যতাৰ সৃষ্টি হৈছে। সভ্যতা হ'ল প্ৰকৃতি আৰু মানুহৰ এক মধুৰ সম্পৰ্ক। য'ত ভাষা-কৃষ্টি, সংস্কৃতি আদি নিবিড়ভাৱে জড়িত হৈ আছে। মানৱ সমাজে প্ৰকৃতিৰ লগত সংযোগ স্থাপন কৰি কৃষ্টি সংস্কৃতি গঢ়ি তুলি একো একোটা সভ্যতাৰ সৃষ্টি কৰিছে। এই মন্তব্য বিশিষ্ট পৰিৱেশ বিজ্ঞানী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° অৰণী কুমাৰ ভাগৱতীৰ। বংশৰৰ বিশিষ্ট শিক্ষাবিদ, শুৱালকুছি জুনিয়ৰ কলেজৰ অধ্যক্ষ ড° হৰমোহন দাসৰ ৰচিত 'বংশৰ অঞ্চলৰ নদ-নদী আৰু পৰাম্পৰাগত কৃষি' আৰু 'জীৱনৰ প্ৰতিবিম্ব' গ্ৰন্থ দুখনৰ উন্মোচনী সভাত উপস্থিত থাকি তেওঁ পুনৰ কয় যে, অসমৰ ব্ৰহ্মপুত্ৰ এখন বৃহৎ নদী। বিশাল ব্ৰহ্মপুত্ৰক লৈ ইয়াত গঢ়ি উঠিছে এক সভ্যতা। অসমত ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘ সাতশ কিলোমিটাৰ আৰু প্ৰস্থ ৭০-৮০ কিলোমিটাৰ। প্ৰায় ৫.৮ লাখ কিলোমিটাৰ আগুৰি থকা ব্ৰহ্মপুত্ৰ সৌন্দৰ্যপূৰ্ণ এক উপত্যকা। ব্ৰহ্মপুত্ৰৰ লগত ২৫০০ বিল আৰু অগণন উপ নৈৰ সম্পৰ্ক আছে। ব্ৰহ্মপুত্ৰক মূল শক্তি হিচাবে লৈ ইয়াত গছ-গছনি, চৰাই- চিৰিকতি, মাছ-মানুহ, জীৱ-জন্তু আদি সকলো মিলি সভ্যতাৰ গঢ়ি উঠিছে। তেওঁ কয় যে ব্ৰহ্মপুত্ৰৰ মাটি পলুসুৱা বাবে ব্ৰহ্মপুত্ৰৰ পাৰত বসবাস কৰা লোকসকলৰ মনবোৰ আলসুৱা। সেইবাবেই এই অঞ্চলৰ মানুহবোৰ সহজ সৰলভাৱে জীৱন নিৰ্বাহ কৰি আছে। বিশিষ্ট পৰিৱেশ বিজ্ঞানীজনে পুনৰ কয় যে, মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ দিনতো নদ-নদী সন্দৰ্ভত আলোচনা হৈছিল। কিয়নো সেই সময়ত নদীয়ে মানুহৰ যাতায়াতৰ পথ আছিল। গুৰুচৰিতত এই কথাবোৰ পৰিস্কাৰ হৈ আছে। তেওঁ কয় যে শেষতীয়াভাৱে নদীবান্ধে নদীৰ চৰিত্ৰ সলনি কৰাৰ লগতে বহুত উপ-নদীৰ মৃত্যু ঘটাইছে। লগতে সভ্যতাৰ প্ৰতিয়ো ভাবুকি স্বৰূপ হৈ পৰিছে। যি ব্ৰহ্মপুত্ৰই সভ্যতাৰ জৰিয়তে প্ৰাকৃতিক, সামজিক, সাংস্কৃতিক দাঙি ধৰি এক বৈচিত্ৰ্যময় ৰূপ দিছিল আজি নদীবান্ধে সেইবোৰ মষিমূৰ কৰাৰ দিশলৈ ব্ৰহ্মপুত্ৰক আগুৱাই নিছে বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। ইয়াৰ ফলত ভৰলু নদীকে ধৰি বহুত উপনদীৰ মৃত্যুৰ দিশলৈ ধাৱমান হৈছে বুলি তেওঁ কয়। এতিয়া সভ্যতা মানে ধূলি আৰু উন্নয়ন মানে বায়ু প্ৰদূষণ বুলি উল্লেখ কৰি তেওঁ প্ৰকৃতি ধংসৰ বাবে বহুত প্ৰযুক্তিৰ সৃষ্টি হৈছে যদিও প্ৰকৃতি ৰক্ষাৰ প্ৰযুক্তি একেবাৰে কম বুলি কয়। তেওঁ নতুন প্ৰজন্মক নদ-নদী, গছ-গছনি, মাছ, চৰাই চিৰিকতি আৰু জীৱ জন্তুৰ বিষয়ে অধ্যয়ন কৰি সভ্যতা আৰু প্ৰকৃতি কি দৰে ৰক্ষা কৰিব পাৰি তাৰ ওপৰত নজৰ দিবলৈ আহ্বান জনায়। বিশিষ্ট শিল্পী, শিক্ষক সনাতন বৈশ্যই অতি সুন্দৰভাৱে আঁত ধৰা অনুষ্ঠানটিত সঞ্চালকৰ আসন গ্ৰহণ কৰে বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ কনক দাসে। অনুষ্ঠানত 'জীৱনৰ প্ৰতিবিম্ব' গ্ৰন্থখন উন্মোচন কৰি শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই আজিকালি বিজ্ঞসকলে কিতাপ লিখিবলৈ এৰি দিছে। কিয়নো কিতাপ লিখি উলিয়ালে পঢ়ুৱৈ সংখ্যা দ্ৰুতগতিত কমিছে। নতুন প্ৰজন্মই পাঠ্যপুথিৰ বাহিৰে অন্য কিতাপ পঢ়াৰ অভ্যাস কমাইছে। আনহাতে নতুন প্ৰজন্মৰ সামাজিক দ্বায়িত্ববোধ ক্ৰমাগতভাৱে কমি অহা পৰিলক্ষিত হৈছে। যাৰ বাবে প্ৰায় সমাজতে বিশৃংখল পৰিৱেশ বিৰাজ কৰিবলৈ আৰম্ভ হৈছে। সমাজৰ গঠন প্ৰণালীত শিক্ষাবিদ ড° হৰমোহন দাসৰ যথেষ্ট অৱদান থকাৰ কথা উল্লেখ কৰি অধ্যক্ষ গৰাকীয়ে লেখক দাসৰ জীৱন পৰিক্ৰমা সন্দৰ্ভত এক সুন্দৰ অৱলোকন দাঙি ধৰে। এগৰাকী মানুহৰ ব্যক্তিত্বত তিনিটা বস্তুৰ প্ৰয়োজন বুলি উল্লেখ কৰি তেওঁ কয় যে ব্যক্তিগত আশা-আকাঙ্খা, পৰিয়ালৰ বা আত্মীয় স্বজনৰ সহায় আৰু সমাজৰ প্ৰতি থকা অৱদান। লেখক ড° দাস তেনে এগৰাকী ব্যক্তি আছিল। তেওঁ যুৱ প্ৰজন্মক জীৱনী গ্ৰন্থসমূহ পঢ়িলে ভাল মানুহ কি দৰে হ'ব পাৰি তাক বুজি উঠিব বুলি দোহাৰে। যাত্ৰা গ্ৰাম্য পুথিভঁৰাল, বংশৰৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত আদৰণি ভাষণ প্ৰদান কৰি ৰবীন পাঠকে যাত্ৰা গ্ৰাম্য পুথিভঁৰাল সন্দৰ্ভত এক প্ৰাঞ্জল ভাষণ প্ৰদান কৰে। উন্মোচনী অনুষ্ঠানত শিল্পী কস্তুৰী মেধিৰ বৰগীত আৰু কৰিশ্মাৰাণী দাসৰ লোকগীত পৰিৱেশনে উপস্থিত সকলোকে মনমুগ্ধ কৰি তোলে। গ্ৰন্থ দুখনৰ লেখক, শিক্ষাবিদ ড° হৰমোহন দাসে সভাত গ্ৰন্থ দুখন সন্দৰ্ভত তেওঁৰ মনৰ ভাৱ ব্যক্ত কৰি এক তত্ত্বগধুৰ ব্যক্তব্যৰে সকলোকে আকৰ্ষিত কৰে। অনুষ্ঠানত বিজেপি নেতা প্ৰকাশ দাস, ড° নিত্যানন্দ ডেকা, অধ্যাপক অতুল চন্দ্ৰ দাস, ড° দেবেন দাস, দিলীপ শৰ্মা, মাধৱ পাঠক, সাংবাদিক ফণীধৰ দাসকে ধৰি কেবাগৰাকে গণ্যমান্য ব্যক্তি উপস্থিত থাকে। হিমাশ্ৰী বিবাহ ভৱনত অনুষ্ঠিত অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক ধ্ৰুৱজ্যোতি মালাকৰে।

# ভাতৃৰ তেজেৰে ৰাঙলী ২১ ফেব্ৰুৱাৰী

■ **মীনাক্ষী ৰায় ডাকুৱা**
গোলকগঞ্জ, ধুবুৰী

ইতিহাস সাক্ষী, কেতিয়াও কোনো দেশত মানুহক বেছিদিন অৱদমিত কৰি ৰাখিব পৰা নাই। অচিৰেই মানুহ জাগি উঠিছে। একত্ৰিত মানুহ সন্মিলিতভাৱে অন্যায়ৰ প্ৰতিবাদ কৰিছে, আত্মোৎসৰ্গ কৰিছে। জীৱন আৰু মৃত্যু দুয়োটাই তেওঁলোকৰ ওচৰত সমান। 'জীৱন মৰণ ভৰিৰে গচকি'- দেশৰ বাবে নিবেদিত প্ৰাণ এনেকুৱা মানুহ কম-বেছি পৰিমাণে সকলো দেশতেই আছে।

ইং ১৯৪৭ চনৰ ১৪ আগষ্টৰ পৰা পাকিস্তানৰ অন্তৰ্গত এখন প্ৰদেশ হিচাবে পূৰ্ববঙ্গই নতুনভাৱে অস্তিত্ব লাভ কৰাৰ পিছৰপৰাই ভাষা লৈ মানুহৰ মনত অসন্তোষে দেখা দিয়ে। বাংলা ভাষাক এফলীয়া কৰি উৰ্দু ভাষা জাপি দিয়াৰ অপপ্ৰয়াস সাধাৰণ মানুহে কোনোমতেই মানি লোৱা নাছিল। চৰকাৰৰ কৌশলী পদক্ষেপ যিমানেই মানুহৰ ওচৰত স্পষ্ট হৈ উঠিছে, সিমানেই ক্ষোভ-বিক্ষোভ বাঢ়ি গৈছে। চাৰিওফালে বিদ্ৰোহৰ জুই বিয়পি পৰিছে। বাংলা ভাষাক পূৰ্ব পাকিস্তানৰ ৰাষ্ট্ৰভাষা কৰাৰ দাবী উঠে। কবি-সাহিত্যিক-বুদ্ধিজীৱীসকলে এই দাবী সম্বলিত এখন স্মাৰকলিপি ক্ষমতাসীন শাসকগোষ্ঠীৰ ওচৰত জমা দিয়ে। অৱশ্যে ইয়াৰ ফল একোৱেই নহ'ল। বৰঞ্চ চৰকাৰী প্ৰয়াস ক্ৰমে জোৰদাৰ হৈ উঠে। এই ক্ষোভ-বিক্ষোভ দ্ৰুত ৰক্তপাত-জীৱনহানিৰ পৰ্যায়লৈ গুচি যায়। ইং ১৯৪৭ চনৰ শেষৰফালে সন্ত্ৰাস-সংঘৰ্ষ আৰম্ভ হয়। ঢাকাৰ এই সংঘৰ্ষ কোনো বিক্ষিপ্ত ঘটনা নহয়, এনেকুৱা ঘটনা একেৰাহে চলি থাকে। বাংলা ভাষাৰ বাবে আন্দোলনৰত, বাংলা ভাষাৰ সমৰ্থকৰ ওপৰত নিৰ্যাতন-আক্ৰমণ চলিয়েই থাকে। উৰ্দু প্ৰেমিক শিক্ষামন্ত্ৰী ফজলুৰ ৰহমানৰ উৰ্দুৰ প্ৰতি পক্ষপাতিত্ব, আৰৱী বৰ্ণমালাত বাংলা লিখাৰ পৰামৰ্শ-এইবোৰে জনসাধাৰণক প্ৰতিবাদমুখৰ কৰি তোলে। দ্ৰুত আন্দোলন বিস্তৃত হৈ চৌদিশে বিয়পি পৰে। প্ৰতিবাদ প্ৰতিৰোধৰ জুইত ঘিঁউ ঢালি দিয়ে গভৰ্ণৰ-জেনেৰেল মহম্মদ আলী জিন্নাই। বাঙালী আৰু বাংলা ভাষাবিদ্বেষী জিন্না, যিজন চাতুৰ্য আৰু কূটবুদ্ধি প্ৰয়োগত অপ্ৰতিদ্বন্দ্বী, তেওঁ কেইদিনমান ঢাকাত থাকিল- ইং ১৯৪৮ চনৰ ১৯ মাৰ্চৰপৰা ২৮ মাৰ্চলৈ। কৌশলেৰে জিন্নাই আন্দোলনৰ গতিক অন্যফালে ঘূৰাই দিবলৈ সচেষ্ট হ'ল। সন্দেহ নাই যে, অগ্নিদীপ্ত সেই আন্দোলন কিছু পৰিমাণে নিস্তেজ হৈ পৰিল। অৱশ্যে ছাই-ঢকা জুই থাকিয়েই গ'ল। অচিৰেই এই জুইৰ পৰশমণিৰ স্পৰ্শত পূৰ্ববঙ্গৰ মানুহ উদ্দীপ্ত, প্ৰজ্বলিত হ'ল।

ইং ১৯৫১ চনৰ ১৬ অক্টোবৰত নিহত হয় পাকিস্তানৰ প্ৰধানমন্ত্ৰী লিয়াকত আলী খান। লিয়াকত আলী খানৰ শূণ্য আসন পূৰ্ণ কৰিলে খাজা নাজিমউদ্দিনে। ইং ১৯৫২ চনৰ জানুৱাৰীত মুছলিম লীগৰ কাউঞ্চিল অধিৱেশনত যোগদানৰ বাবে ঢাকালৈ আহে তেওঁ। পাকিস্তানৰ ৰাষ্ট্ৰভাষা হ'ব একমাত্ৰ উৰ্দু, আৰৱী বৰ্ণমালাত লিখিব লাগিব বাংলা- নাজিমউদ্দিনৰ এইবোৰ মন্তব্য বাৰুদৰ স্তূপত যেন অগ্নিসংযোগ কৰিলে। নিমিষতে সেই অগ্নি বিয়পি পৰি বীভৎস ভয়ঙ্কৰ ৰূপ ধাৰণ কৰে। ঢাকা বিশ্ববিদ্যালয়ৰ ছাত্ৰবোৰে প্ৰতিবাদত গৰ্জি উঠে। বিক্ষোভ আৰু প্ৰতিবাদসভা চলিয়েই থাকে। প্ৰতীক ধৰ্মঘটো হয়। সাধাৰণ মানুহ স্বতঃস্ফূৰ্তভাৱে ছাত্ৰসকলৰ কাষত আহি থিয় দিয়ে আৰু তেওঁলোকক পূৰ্ণ সমৰ্থন কৰে।

৩০ জানুৱাৰীত ঢাকা বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ প্ৰতীক ধৰ্মঘট সফল হোৱাৰ পিছত ৪ ফেব্ৰুৱাৰীত ঢাকা চহৰৰ সমস্ত শিক্ষা প্ৰতিষ্ঠানত ধৰ্মঘটৰ আহ্বান দিয়া হয়। সংগ্ৰামী ছাত্ৰসকলৰ কাষত আহি থিয় দিয়ে 'সৰ্বদলীয় ৰাষ্ট্ৰভাষা সংগ্ৰাম পৰিষদ।' এই ধৰ্মঘট অকল ঢাকাৰ মাজতেই সীমাবদ্ধ থকা নাছিল। অন্যান্য জিলাতো, আনকি প্ৰত্যন্ত গ্ৰাম-গঢ়তো জনসাধাৰণে স্বতঃস্ফূৰ্তভাৱে সঁহাৰি দিয়ে। বিক্ষোভেৰে প্ৰতিবাদেৰে প্ৰতিৰোধৰ শপত গ্ৰহণ কৰা হয়। 'আমৰি বাংলা ভাষা'-ৰ সন্মান কেতিয়াও ক্ষুন্ন হ'বলৈ দিয়া নহ'ব-লক্ষ লক্ষ মানুহে এই অঙ্গীকাৰ কৰে।

জাগি উঠা মানুহক যিভাৱেই নহওক অৱদমিত কৰাৰ বাবে দৃঢ়সংকল্প হৈ উঠে পাক চৰকাৰ। শেষত নিৰুপায় হৈ ২০ ফেব্ৰুৱাৰীৰ পৰা ঢাকাত ১৪৪ ধাৰা জাৰি কৰে এমাহৰ বাবে। আইনৰ বাধা-নিষেধ বা পুলিচৰ নিপীড়নত জানো বন্ধ হয় মানুহৰ স্বতঃস্ফূৰ্ত বিক্ষোভ? সেয়ে পুলিচে যিমানেই লাঠি-বন্দুক লৈ পহৰা নিদিয়ক কিয়, ভাবুকিক উপেক্ষা কৰি একৈছ

### (আন্তৰ্জাতিক মাতৃভাষা দিৱস)

ফেব্ৰুৱাৰীৰ ৰাতিপুৱাই বিশ্ববিদ্যালয়ৰ চৌহদত বিশাল জনসমাগম হয়। গাজীউল হকৰ সভাপতিত্বত আৰম্ভ হয় ছাত্ৰসভা। তেওঁলোকে অমান্য কৰে ১৪৪ ধাৰা। পুলিচে হিংস্ৰ বাঘৰ দৰে জঁপিয়াই পৰে ছাত্ৰৰ ওপৰত। লাঠি চাৰ্জৰ লগতে প্ৰয়োগ কৰে কন্দুৱা গেচ। আৰম্ভ হয় খণ্ডযুদ্ধ। এইদৰে বহুসময় পাৰ হয়। কোনোপধ্যেই ছাত্ৰসকলক নিৰস্ত্ৰ কৰিব পৰা নাযায়। কণ্ঠত মাতৃভাষাৰ জয়ধ্বনি, দৈহিক বলতকৈও বহু বেছি তেওঁলোকৰ মনোবল। অসীম মনোবলেৰে বলীয়ান ছাত্ৰসকলৰ গতি কোনে ৰুদ্ধ কৰে? তেজ বৈ গৈছে, তথাপিও তেওঁলোকে সমানেই ৰণ কৰি যায়। শেষত নিৰুপায় হৈ পুলিচে গুলী চলায়। বাগৰি পৰে আবুল বৰকত, তেজেৰে ৰাঙলী হয় ঢাকাৰ ৰাজপথ। ভাষা আন্দোলনৰ প্ৰথম শ্বহীদ হয় আবুল বৰকত। গুলী চলে মুঠ ২৭ ৰাউণ্ড। মৃত্যু হয় আন কেইজনমানৰ-আব্দুল জব্বাৰ, ছালাহউদ্দিন, ছফিয়ৰ ৰহমান আৰু ৰফিকউদ্দিনৰ। আহত হয় বহু ছাত্ৰ। আহতসকলৰ মাজৰ এজন আব্দুছ ছালামে পিছত মৃত্যুবৰণ কৰে।

ছাত্ৰহত্যাৰ সংবাদ দ্ৰুত ঢাকা অতিক্ৰম কৰি জিলাই জিলাই বিয়পি পৰে। সকলোৱেই শোকস্তব্ধ। দোকান-বজাৰ, যানবাহন সকলো বন্ধ হৈ যায়। পাক চৰকাৰ আৰু তাৰ বৰ্বৰ পুলিচ বাহিনীৰ উদ্দেশ্যে বৰ্ষিত হয় কেৱল ধিক্কাৰ আৰু ঘৃণা। পুঞ্জীভূত ঘৃণা আৰু উত্তেজনাত উত্তপ্ত মানুহৰ কণ্ঠত শ্লোগান উঠে- 'ৰাষ্ট্ৰভাষা বাংলা চাই, খুনী নুৰুল আমীনেৰ বিচাৰ চাই।' ত্ৰিছ হাজাৰৰো বেছি মানুহ সিদিনা পথত নামিছিল, মহা শোকসভাত অংশগ্ৰহণ কৰিছিল। অতি দ্ৰুত, দুদিনৰ ভিতৰতেই নিৰ্মিত হয় শ্বহীদস্তম্ভ। অৱশ্যে সিদিনাই পাক চৰকাৰৰ পুলিচ বাহিনীয়ে স্তম্ভটোক নিশ্চিহ্ন কৰি দিয়ে। স্তম্ভ হয়তো ভাঙিব পৰা যায়, কিন্তু স্বতোৎসাৰিত প্ৰাণৰ আৱেগৰ গতিক কোনোভাৱেই ৰুদ্ধ কৰা নাযায়। সেয়ে ঢাকাত গুলী চলোৱা, ছাত্ৰহত্যাৰ বাতৰি চট্টগ্ৰামত আহি পোৱাৰ লগে লগে মাহবুল আলম চৌধুৰীয়ে সোতৰ পৃষ্ঠাৰ এক দীৰ্ঘ কবিতা লিখি পেলায়। অকল লিখাই নহয়, তৎক্ষণাৎ ছপোৱাৰ ব্যৱস্থাও কৰা হয়। খবৰ পাই যথাৰীতি পুলিচ আহে। কিন্তু ইতিমধ্যেই পোন্ধৰ হাজাৰ কাব্য-পুস্তিকা ছপা হৈ গৈছে। পুলিচৰ চকুত ধূলি দি পিছদিনাখন লালদীঘিৰ প্ৰতিবাদসভাত এই কাব্য-পুস্তিকা বিতৰণ কৰা হয়।

এয়া এটি ঘটনা মাত্ৰ। আৱেগৰ বহিঃপ্ৰকাশ নানাভাৱেই ঘটিছে। বৰকত-ছালাম-জব্বাৰহঁতৰ এই মাতৃভাষাপ্ৰীতি, ভাষাৰ বাবে জীৱন-দান কেৱল সেইদিনাই নহয়, আজিও সকলোকে উজ্জীৱিত কৰে। যিদিনাখন বাংলাদেশৰ ছাত্ৰমহল আন্দোলনত যুক্ত হৈছিল, সেই দিনটোক অৰ্থাৎ একৈছ ফেব্ৰুৱাৰীক সমুখত ৰাখিয়েই ইং ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্ক'ৰ ফালৰপৰা মাতৃভাষা দিৱস পালনৰ ঘোষণা কৰা হয়। ৰফিকুল ইছলাম আৰু আব্দুছ ছালামে আন্তৰ্জাতিক মাতৃভাষা দিৱস পালনৰ বাবে ইউনেস্ক'ক পৰামৰ্শ দিছিল ১৯৯৮ খ্ৰীষ্টাব্দত। ১৯৯৯ খ্ৰীষ্টাব্দৰ ১৭ নৱেম্বৰত অনুষ্ঠিত ইউনেস্ক'ৰ পেৰিচ অধিৱেশনত প্ৰস্তাৱ উত্থাপন কৰা হয় আৰু ইয়াত ১৮৮ খন দেশে সমৰ্থন জনোৱত ২১ ফেব্ৰুৱাৰীক আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাবে ঘোষণা কৰা হয়। ২০০০ চনৰ পৰা সমগ্ৰ বিশ্বত মাতৃভাষা দিৱস যথাযথ মৰ্যাদাৰে পালন কৰা হয়। ২০১০ চনৰ পৰা ৰাষ্ট্ৰসংঘও ২১ ফেব্ৰুৱাৰীক আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাবে পালন কৰি আহিছে। বাংলাদেশত মাতৃভাষা দিৱসক 'শ্বহীদ দিৱস' নামেৰেও অভিহিত কৰা হয়। ভাৰত, বাংলাদেশৰ বাহিৰেও চিলি, ৰাছিয়া, মিচৰ, কানাডা আদি দেশতো মাতৃভাষা দিৱস পালিত হয়। ইং ২০১৮ চনত মাতৃভাষা দিৱসৰ প্ৰতিপাদ্য বিষয় আছিল- 'আমাৰ ভাষা, আমাৰ সম্পত্তি।' ইং ২০১৯ চনত মাতৃভাষা দিৱসৰ প্ৰতিপাদ্য বিষয় আছিল- 'উন্নয়ন, শান্তি আৰু সম্প্ৰীতি গঢ়িবলৈ ভাষাৰ মৌলিক ভূমিকা।' ২০২২ চনৰ মাতৃভাষা দিৱসৰ প্ৰতিপাদ্য বিষয় আছিল-'বহুভাষিক শিক্ষাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰঃ প্ৰতিকূলতা আৰু সুযোগ।' ২০২৩ চনৰ মাতৃভাষা দিৱসৰ প্ৰতিপাদ্য বিষয় আছিল- 'বহুভাষিক শিক্ষাক আগুৱাই লৈ যোৱা আৰু লিঙ্গ সমতা প্ৰচাৰ।' ২০২৪ চনৰ আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ প্ৰতিপাদ্য বিষয় আছিল 'বহু ভাষাৰ মাধ্যমত শিক্ষা; প্ৰজন্মৰ পৰা প্ৰজন্মলৈ জ্ঞান চৰ্চা।'

**ম'বাইলঃ** ৮৭৬১৮-৬৫৮৮৫

## ভাল পাওঁ আপোনাক

**এ.আৰ ৰহমান**

আপোনাক ক'তনো ৰাখো?
হৃদয়ত ৰাখিলে উশাহ
চকুত ৰাখিলে স্বপ্ন।

আপুনি মোৰ বাবে-
যেন এটি জোনাকী ৰাতি- শান্ত, কিন্তু উজ্বল
যেন এছাটি বতাহ-অদৃশ্য, কিন্তু অনুভৱী।

আপোনাৰ চকু মোৰ আকাশ
য'ত নক্ষত্ৰবোৰ নিতৌ জ্বলে
আশাৰ ৰং বিচ্ছুৰিত হয়
আৰু মই হেৰাই যাওঁ নীৰৱে।

কেতিয়াবা ভয় হয়-
এই অনুভৱ অতিৰিক্ত নহয়তো।
এই ভালপোৱা এদিন হেৰাই নাযায়তো।
কিন্তু আপোনাৰ এটি হাঁহিৰ গুঞ্জনত মাৰ যায়
মোৰ সমস্ত ভয় অথবা ভ্ৰম
সান্ত্বনাৰ দৰে সিঁচি দিয়ে আশাৰ কণিকা।

মোক শব্দ নালাগে, ব্যাখ্যা নালাগে
লাগে মাথোঁ আপোনাৰ উপস্থিতি
এক স্নিগ্ধ অনুভৱৰ দৰে
যি মোক জীৱন্ত কৰি তোলে
যি মোক মোৰ ভিতৰতে সজীৱ কৰি তোলে।

ভাল পাওঁ আপোনাক-
এটা শব্দহীন কবিতাৰ দৰে
এখনি গৰ্ভৱতী নৈৰ দৰে
যি কেতিয়াও বৈ নাথাকে
বৈ যায় নীৰৱে-সংগোপনে।

ভাল পাওঁ আপোনাক-
সৰল, নিৰ্ভেজাল, একো নোখোজাকৈ, একো নোকোৱাকৈ
মাথোঁ আপোনাৰ ছায়া হৈ থাকিবলৈ
আপোনাৰ হৃদয়ৰ এটি অংশ হ'বলৈ
আপোনাৰ প্ৰিয় গীত এটি হৈ বাজিবলৈ
ভাল পাওঁ আপোনাক
নীৰৱে-গোপনে ভাল পাওঁ আপোনাক...।

**ম'বাইল:** ৯৭০৭১-৫৯৩৬৬



## ঘৰ পতা কথা

**জ্যোতিস্মিতা বৰা**

ফাগুনৰ আঁচলত ধৰি
কাৰ বাবে আগুৱাইছিলি পুনাকণ
কজলা বলধটো যে ইয়াতে হেৰালে,
ঘৰমুৱা মন হাঁহ জাকো কেতিয়াবাই উলটিল
তইহে বৈ গলি বিলৰ পাৰতে।
বলধটো নহ'লে কিহেৰে খেতি কৰিবি
আইক দৰৱ কেইটা আনি দিবি
কেনেবাকে গা টেঙা দিয়ে যদি

ঘৰখন পাতিব লৈছ সাৱধান হ'বি
খুঁটাটো ভাগিলে কেনেকৈ লগাবি জোৰা
বিচনাত যে পৰি আছে তোৰ আইজনী
তাকো কঁকাল ভগা।

কোন বিধাতাই লিখিছিল তোৰ বাবে
এটি এটি আন্ধাৰ কথা,
কোন সতে নিয়তিয়ে খহালে আকাশ
যেন দুফাল হোৱা ৰুটিৰ টুকুৰা।

ফাগুনৰ আঁচলত ধৰি
কি সপোন দেখিলি পুনাকণ
দুচকুৰ চকা-মকাত হেৰুৱালি
জীৱন গঢ়া আবিৰৰ ৰহণ।

**ম'বাইল:** ৮৪৭৪৮-৯৪৫৩৬

## শৰৎ অহাৰ বাটেৰে

**জুৰিমণি মুদৈ,** বহা

শৰতৰ প্ৰতিটো পুৱাই
মোৰ বাবে কঢ়িয়াই আনে
এবুকু আশাৰ বতৰা
শৰত অহাৰ বাটেৰে
এদিন তুমিয়ো আহিবা
হৃদয়ৰ দলিচাত বহি
দুয়ো গাঁথিম
আলফুল প্ৰেমৰ সুগন্ধি মালা।

নিশা ফৰিংফুটা জোনাকত
সৰি পৰা শেৱালিয়ে
মোৰ বুকুৰ চোতালত
তৰা ফুলৰ বুটা বাচিব
নৈপাৰৰ কঁহুৱাবোৰৰ দৰে
চঞ্চলা মনে মোৰ
হালি-জালি নাচি উঠিব।

স্নিগ্ধ ৰূপোৱালী জোনাক হৈ
এবুকু হেঁপাহৰ সপোন লৈ
শৰত অহাৰ বাটেৰে
এদিন তুমি আহিবা
মোৰ হৃদয়ত
প্ৰেমৰ সুৱাস বিলাবলৈ
শাৰদীয় ৰঙীন সাজেৰে সাজি-পাৰি
বৈ থাকিম তোমাক আদৰিবলৈ।

**ম'বাইল:** ৯৩৯৫০-৫২১৭৯

## ফাগুনে আনে লিগাঙৰ বতৰা

**মৃদুলা বৰুৱা,** তেজপুৰ

ফাগুন আহিলেই
স্মৃতিয়ে উনুকিয়াই,
সোৱণশিৰিৰ লুগাং তলিলৈ
মন উৰি যায়,
সৰগৰ পৰী যেন
মোৰ কনেং জনী,
আজিও সাঁচি ৰাখিছোঁ
তুমি দিয়া ৰিবিগাচেংখনি।
এই বেলি লিগাঙত
আহিবা মোৰ কনেং,
সোৱনশিৰিৰ লুগাং তলিতে
লগ হম দুয়ো,
বতাহৰ কোৱাল সোঁতত
ঐনিতমৰ তালে তালে
তুমি গুমৰাগ নাচিবা,
এপিয়লা আপঙৰে
মোক মৰম যাচিবা।
ফাগুনৰ আকাশত
হেৰাই যায়
শুকান পাতৰ ঠিকনা,
এই ফাগুনেই দি যায়
লুগাঙৰ বতৰা।

**ম'বাইল:** ৯১০১০-২৩৯১৯

## চঞ্চলা ফাগুন

**যমুনা দুলু বৈশ্য,** গুৱালকুছি

আকৌ আহিল ফাগুন
চঞ্চলা পচোৱা হৈ
সৰাপাতৰ শুকান পাতত
গোপনে সিঁচি থৈ যায়
ৰঙীন সপোন,
উৰি যায় বাউলী হৈ
প্ৰকৃতিৰ ন সাঁজত
শিমলুৰ ৰঙা পাহিৰে
শুকান মনত চটিয়াই যায়
সংগোপনে আশাৰ বতৰা,
ৰঙৰ সমাহাৰ লৈ
পলাশ, কৃষ্ণচূড়াৰ ৰং ৰাঙলীৰে
ফাগুনৰ উন্মাদনাৰ শিহৰণ তোলে
হৃদয় জুৰায় বতাহৰ বা লাগি।

## বিৱৰ্তন

**প্ৰজ্ঞাপাৰমিতা বৰুৱা**

এই পৃথিৱীৰ হাজাৰ হাজাৰখন মৰুপ্ৰদেশ পাৰ হৈ মই
তোমাৰ ওচৰ পালোঁহি।
তুমি যদি কোৱা - এতিয়া ইয়াত প্ৰচণ্ড ধুমুহা বলিব,
তথাপি মই ইয়াতে বৈ থাকিম।
তুমি যদি কোৱা ইয়াত এতিয়া ধাৰাষাৰ বৰষুণ পৰিব, শিলাবৃষ্টি হ'ব...
তেতিয়াও মই ইয়াত ৰৈয়েই থাকিম।
যদি তুমি কোৱা যে এই প্ৰদেশৰ
সকলো অৰণ্য এতিয়া জ্বলি উঠিব দাওদাওকৈ
গোটেই চহৰখন শেলায়ে ছানি ধৰিব,
নৈবোৰ মৰি আহিব...
এই চহৰত এতিয়া যুদ্ধ ঘোষণা হ'ব,
গুলী-বৰ্ষণ হ'ব, লাঠি-চাৰ্জ, এনকাউন্টাৰ...
তথাপি মই তোমাৰ কাষতে ৰৈয়েই থাকিম।

পৃথিৱীৰ হাজাৰ হাজাৰখন সাঁকো অতিক্ৰম কৰি
মই গুচি আহিছোঁ তোমাৰ মাজলৈ
আৰু বহু সাঁকো পাৰ হৈ যাবলৈ মই ৰাজী আছোঁ
এতিয়া...
তুমি যদি কোৱা- তুমি উত্তাল ঢৌ, তুমি প্ৰলয়-প্ৰকম্পন ভূমিকম্প,
তুমি জ্বালামুখী...
যদি
তুমি বিপ্লৱ, তুমি প্ৰতিবাদ, মাওবাদ...
যিয়েই নোহোৱা...
তোমাৰ স্বাধীনতাক চেল্যুট জনাই
ময়ো গৈ থাকিম হাতে-হাত ধৰি...

এই পৃথিৱীৰ হাজাৰ হাজাৰখন দেৱাল খহাই মই গঢ়ি লৈছোঁ
এখনেই দুৱাৰ...
বন্ধ খিৰিকীবোৰ খুলি দিছোঁ অনায়াসে
মন গ'লেই চাইছোঁ ৰাতিৰ আকাশ, পুখুৰীৰ তলমল জোন...

এদিন এই দুৱাৰ আৰু খিৰিকীয়েদি সোমাই আহিব
এজাক কনৰীয়া বতাহ...
দেশ-কালৰ সকলো উৎকণ্ঠা সামৰি
এদিন তুমি আৰু মই মুকলিকৈ পাতিব পাৰিম
প্ৰেমৰ কথা,
আভৰণবিহীন গোপন কথা...
এদিনলৈতো তুমি ক'বা-
এই চহৰলৈ এতিয়া বসন্ত আহিব...
গছে-পাতে সৰিব বৰষুণৰ গান,
নৈ এখন বৈ আহিব আমাৰ বুকুৰ মাজেৰে...
তেতিয়াও মই...
তোমাৰ কাষতে ৰৈয়েই থাকিম।

## ভালপোৱাৰ বতৰা

**নাচিমা য়াচমিন,**
বিশ্বনাথ চাৰিআলি

তোমাৰ চকুত বিচাৰি পাওঁ,
সপোনবোৰৰ সেউজী ছাঁ,
হেঁপাহৰ সিপাৰতে
সাজি ৰাখিছোঁ বাঁহ।

বুকুৰ মাজৰ অযুত মৰম
তোমাৰ সোঁৱৰণিত গাঁঠি যাওঁ,
গল্প, উপন্যাস, কবিতাখিনি
তোমাৰ নামত লিখি থওঁ।

প্ৰেমৰ সুৱাস বিয়পি পৰে,
নানান ফুলৰ মাদকতাত,
হৃদয়ৰ সুৰ মিলি যায়,
তোমাৰ নামৰ গীতত।

ভালপোৱাৰ এই মৰমৰ অনুভৱ
সজাই ৰাখিম সদায় হৃদয়ত,
সপোন, আশাৰে ভৰা জীৱন,
কটাব বিচাৰোঁ তোমাৰেই লগত।

**ম'বাইল:** ৭০৯৯৩-৮৯৭৫৫

## প্ৰেমৰ নিষিদ্ধ কোঠালি

**পৰী প্ৰিয়া,** ডিব্ৰুগড়

প্ৰেমৰ নিষিদ্ধ কোঠালিত
যিদিনাই আপোনাৰ আগমণ ঘটিছিল,
সেইদিনাই হৃদয়ৰ পাৰিজাতপাহি
দগমগাই জ্বলি উঠিছিল।
অগাদেৱা ভাৱনাবোৰ থমকি ৰৈ
আপোনাক বাধা দিছিল,
যেন, সেই নিষিদ্ধ কোঠালিত
অনুমতি অবিহনে প্ৰৱেশ নিষেধ।
কিন্তু প্ৰেমৰ তাড়নাত আলোড়িত হিয়াখনে
আপোনাৰ প্ৰেমক সহাঁৰি জনাইছিল,
কিয় জানেনে?
আপোনাৰ অবিহনে যেন
মোৰ প্ৰেমৰ নিষিদ্ধ কোঠালিতো
তেনেই অৱহেলিত।

সেই অৱহেলাৰ সুযোগ লৈয়ে
আপুনি মোৰ কাষ চাপিছিল,
আৰু মই আপোনাৰ প্ৰেমত হৈ পৰিছিলো
সজাত বন্দী এজনী অভিমানী চৰাই।
যি অভিমানৰ ডেউকা ভাঙি
উৰি যোৱাৰ সাহস
আপোনাৰ তেতিয়াও হোৱা নাছিল
আৰু এতিয়াও হোৱা নাই।

প্ৰতাৰিত সময়ে অৱজ্ঞা কৰিব পৰাকৈ
মোৰ প্ৰেমৰ শক্তিক সুবিধা দিয়া নাছিলোঁ,
সেয়ে আজিও আপুনি
মোৰ প্ৰেমৰ নিষিদ্ধ কোঠালিত
আন কাৰোবাৰ বাবে নিষিদ্ধ হৈয়ে ৰৈ গ'ল।



## টুনি চৰাই

**ছেলিমা বেগম,** নগাঁও

ফাগুন মাহত আবেলি পৰত
ধূলি উৰা বতৰত,
চকু দুটি দিলোঁ গছৰ ডালত
কি পালোঁ মোৰ মনত।
চাই থাকোঁতেই উৰি ফুৰোতেই
টুনি তোক লগ পালোঁ,
এবাৰ বৈ কৈ যা কোন তই কৈ যা
তোক বাৰে বাৰে চালোঁ।
সৌ স্বৰ্গৰ পৰা মৰ্ত্যলৈ আহিলি
ফোঁটুকা ফোঁট ৰং লৈ,
এবাৰ বৈ কৈ যা দৰ দূত নেকি?
কিয় আহিলি মৰ্ত্যলৈ।
ডেউকা দুখন ৰঙা, নীলা, কিয়?
পাখি দুখন সোণৰ,
তই নে কি টুনি ৰূপেশ্বৰি আজি
অধিকাৰী হে ৰূপৰ।

সৰু সৰু ঠোঁট দুটিৰ তোৰ যে
হীৰাৰে তৈয়াৰ টুনি,
চমক চমক ঠেং দুটি তোৰ
দেখিবলৈ যেন মণি।
সৰু সৰু চকু মাৰ্বলৰে সজা
দেখিবলৈ বৰ মজা,
উৰি উৰি ক'লৈ যাবি বৈ কৈ যা
তোৰ ঘৰ কি দি সজা।

কি নামে মাতিম স্বৰ্গস্বৰী ৰূপহী
নাম দিলোঁ ৰূপেশ্বৰী।
সবাতোকৈ সৰু চৰাই নাম টুনি
মাতে ফোঁটুকা ফোঁট কী।

প্ৰথম পৃষ্ঠাৰ পৰা

## অসমৰ স্বচ্ছ নিযুক্তিৰ আৰ্হি দেশৰ বহু ৰাজ্যই অনুকৰণ কৰিবলৈ আৰম্ভ কৰিছে ঃ ড° শৰ্মা

অধিক সেৱা প্ৰদানৰ অৰ্থে স্বচ্ছ শাসন ব্যৱস্থাৰ লগতে দক্ষ আৰু ক্ষিপ্ৰ প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এখন ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ মূল স্তম্ভ হৈছে সুপ্ৰশাসন। যেতিয়া এখন ৰাজ্যত সুপ্ৰশাসনৰ অভাৱ হয় তাৰ প্ৰভাৱ ক্ৰমাগতভাৱে সমাজৰ সকলো স্তৰতে পৰিবলৈ আৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে প্ৰশাসনৰ লগত জড়িতসকলৰ প্ৰতিটো কামৰে এটা দূৰগামী প্ৰভাৱ থাকে, যি বহু সময়ত অনুভৱ নোহোৱাকৈ থাকি যায়। যেতিয়া এটা ব্যৱস্থাৰ প্ৰতি সৰ্বসাধাৰণৰ লোক ক্ষোভিত হয়, তেতিয়া সমাজত অস্থিৰতাৰ আৰম্ভ হয় আৰু সমাজৰ ওপৰত সৰ্বসাধাৰণৰ লোকৰ গুণগত ধাৰণা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ আৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যেতিয়া চৰকাৰ আৰু সমাজৰ মাজত দূৰত্ব বৃদ্ধি পায় তেতিয়া প্ৰচলিত ব্যৱস্থাটো বিৰোধিতা কৰা ব্যক্তিৰ জন্ম হয়। চৰকাৰত বৰ্তি থকা ব্যৱস্থাৰ প্ৰতি জনসাধাৰণ যাতে ক্ষোভিত হৈ নপৰে তাৰ বাবে নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ দহ বছৰীয়া কাৰ্যকালত সুপ্ৰশাসনৰ এটা আৰ্হি গঢ় দিয়াৰ বাবে যথেষ্ট প্ৰচেষ্টা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ এই প্ৰচেষ্টাৰ ফলত চৰকাৰৰ কাম-কাজৰ প্ৰক্ৰিয়া বহু পৰিমাণে সৰল হৈ পৰিছে আৰু ইয়াৰ সৈতে জড়িত সমগ্ৰ প্ৰক্ৰিয়া 'ছিষ্টেম ড্ৰিভেন' অৰ্থাৎ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হৈছে। ইয়াৰ ফলত চৰকাৰখনৰ জনসাধাৰণৰ প্ৰতি থকা সেৱাৰ মাত্ৰাও বৃদ্ধি হৈছে বুলি তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিগত চাৰে তিনি বছৰীয়া কাৰ্যকালত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সুশাসনৰ কেইবাটাও স্তম্ভ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। এই প্ৰসংগত স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াৰ কথা উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে আৰম্ভ কৰা স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াত সুশাসনৰ আটাইতকৈ ডাঙৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে ৰাজ্য চৰকাৰে এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণ কৰি ডেৰ লাখ নিযুক্তিৰ দিশে গতি কৰিছে। কিন্তু এনে বৃহৎ নিযুক্তিৰ পিছতো আজি পৰ্যন্ত কোনেও নিযুক্তি প্ৰক্ৰিয়াত আসোঁৱাহৰ অভিযোগ তুলি আদালতৰ দ্বাৰস্থ হোৱা নাই। মুখ্যমন্ত্ৰী হিচাপে ইয়াৰ বাবে গৌৰৱ অনুভৱ কৰে বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে অসমত আৰম্ভ কৰা স্বচ্ছ নিযুক্তিৰ এই আৰ্হি দেশৰ বহু কেইখন ৰাজ্যই অনুকৰণ কৰিবলৈও আৰম্ভ কৰিছে। আজি নিযুক্তি-পত্ৰ লাভ কৰা সকলক উদ্দেশ্যে কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সম্পূৰ্ণ স্বচ্ছতাৰে নিযুক্তি লাভ কৰা সকলে চাকৰিকালত তেওঁলোকৰ সেৱাৰ দিশতো স্বচ্ছতা বৰ্তাই ৰাখিব লাগিব। কিয়নো স্বচ্ছ নিযুক্তিয়ে যদি এটা স্বচ্ছ শাসন ব্যৱস্থা গঢ় দিব নোৱাৰে তেতিয়া নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰতি জনসাধাৰণৰ ভৰসা হ্ৰাস পায়। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীয়ে আজি নিযুক্তিপ্ৰাপ্ত সকলক জনসাধাৰণৰ সেৱাৰ প্ৰতি উৎসৰ্গিত হ'বলৈ আহ্বান জনাই সুশাসনৰ আন এটা স্তম্ভ নিৰ্মাণৰ বাবে সংকল্পবদ্ধ হ'বলৈ কয়। তেওঁ লগতে মন্তব্য কৰে যে স্বচ্ছতাৰ সমান্তৰালকৈ দক্ষ শাসন ব্যৱস্থাও সমানে প্ৰয়োজনীয়। কিয়নো স্বচ্ছতা আৰু দক্ষতাৰ সংমিশ্ৰণ ঘটিলেহে জনসাধাৰণৰক সুশাসনৰ উৎকৃষ্ট আৰ্হি প্ৰদান কৰিব পৰা যায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনত ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ লক্ষ্য লৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৭ চনত ভাৰতবৰ্ষক বিশ্বত তৃতীয় অৰ্থনৈতিক মহাশক্তি ৰূপে উদ্ভাসিত কৰাৰ দিশতো কৰ্মযজ্ঞত ব্ৰতী হৈ আছে। এখন বিকশিত ভাৰতৰ স্বপ্ন পূৰণৰ অৰ্থে নিজকে উৎসৰ্গা কৰিবলৈ আজি নিযুক্তিপ্ৰাপ্তসকলক আহ্বান জনাই ড° শৰ্মাই কয় যে স্বচ্ছ নিযুক্তি আৰু স্বচ্ছ তথা ক্ষিপ্ৰ শাসনৰ ধ্বজাবাহক হিচাপে তেওঁলোকে নিজকে নিয়োগ কৰিব লাগিব। ভাষণত মুখ্যমন্ত্ৰীয়ে নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলক আকাংক্ষী জিলা আৰু আকাংক্ষী খণ্ডত কৰ্তব্যত নিয়োজিত কৰাত গুৰুত্ব আৰোপ কৰি কয় যে চাকৰি জীৱনৰ আৰম্ভণিতে তুলনামূলকভাৱে পিছপৰা অঞ্চলসমূহত আগবঢ়োৱা সেৱাৰ অভিজ্ঞতাই পৰৱৰ্তী সময়ত তেওঁলোকক জনসাধাৰণক সেৱা আগবঢ়োৱাৰ দিশত অধিক দক্ষ কৰি তুলিব। তেওঁ লগতে কয় যে জন্ম আৰু মৃত্যুৰ মাজৰ কালখণ্ডত ব্যক্তি এগৰাকীয়ে পোৱা সময়খিনিত অন্য এগৰাকীৰ জীৱন আলোকিত কৰিব পৰাটো অতি আনন্দ আৰু গৌৰৱৰ কথা। নিযুক্তি-পত্ৰ লাভ কৰা সকলক নিজ নিজ পিতৃ-মাতৃৰ স্নেহ আৰু ত্যাগৰ প্ৰতি কৃতজ্ঞ হৈ থাকিবলৈও আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। আনহাতে, বিশিষ্ট ধনুৰ্বিদ জয়ন্ত তালুকদাৰক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি প্ৰদান সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে ২০০৪ চনৰ এছিয়ান গ্ৰেণ্ড প্ৰিক্সৰ লগতে ২০০৬ আৰু ২০০৯ চনৰ আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতাত স্বৰ্ণ পদক, ২০০৫ চনৰ বিশ্ব চেম্পিয়নশ্বিপত দলীয় শাখাত ৰূপ আৰু ২০১০ চনৰ কমনৱেলথ গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ উপৰি ২০১২ চনৰ লণ্ডন অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ক্ৰীড়াবিদগৰাকীক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি প্ৰদান কৰিবলৈ পাই অসম চৰকাৰ আনন্দিত হৈছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কাৰ্যভাৰ গ্ৰহণৰ পিছৰে পৰা ৰাজ্যৰ কীৰ্তিমানসকলক তেওঁলোকৰ খ্যাতি বা বৰঙণিৰ স্বীকৃতি দিয়াৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল। এই প্ৰচেষ্টা অব্যাহত ৰাখি অসম চৰকাৰৰ সংহত ক্ৰীড়া নীতিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ অৰ্জুন বঁটাৰে সন্মানিত ধনুৰ্বিদগৰাকীক আজি নিযুক্তি প্ৰদান কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্ত, যোগেন মহন, অজন্তা নেওগ, জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোছা, প্ৰশান্ত ফুকন, কৃষ্ণেন্দু পাল, কৌশিক ৰয়, ৰূপেশ গোৱালা, সাংসদ ভূৱনেশ্বৰ কলিতা, বিজুলী কলিতা মেধি, বিধায়ক পোনাকণ বৰুৱা, ধৰ্মেশ্বৰ কোঁৱৰ উপৰি অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, মুখ্য সচিব ড° ৰবি কোটা, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমীত সিঙকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

## সৰলপাৰা আৰু ভাৰত-ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কাৰ্যবাহী সদস্য সজ্জল সিং, বিশেষ মুখ্য সচিব (বন) এম কে যাদৱ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। আনহাতে, ৰাজ্যৰ ৰাজধানীৰ বাহিৰত প্ৰথমবাৰৰ বাবে অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হোৱাৰ প্ৰাকমুহূৰ্তত আজি মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে। ইয়াৰ উপৰি কোকৰাঝাৰত মুখ্যমন্ত্ৰীয়ে নৱনিৰ্মিত ইস্কন মন্দিৰো উন্মোচন কৰে। আধ্যাত্মিক ক্ষেত্ৰখনক সমৃদ্ধ কৰি অহা আন্তৰ্জাতিক কৃষ্ণভাৱনামৃত সংঘই নিৰ্মাণ কৰা এই মন্দিৰটো উন্মোচন কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীৰ কুশল-মংগল কামনাৰে সেৱা-প্ৰাৰ্থনা জনায়। এই মন্দিৰ উন্মোচনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক তৰংগ গগৈ, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ইস্কন নামহত্ত সংঘ, অসমৰ পৰিচালক কৰুণাময় চৈতন্য দাস প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত দৌল মহোৎসৱ আয়োজন

অনুসূচিত জাতিমৰ্চাৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি ৰাজীৱ দাসে। সন্ধিয়া ৬ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকিব গেট হাস্পতালৰ স্বত্বাধিকাৰ বেদব্ৰত পাঠক আৰু মুখ্য অতিথি হিচাবে উপস্থিত থাকিব কামৰূপৰ অতিৰিক্ত আয়ুক্ত প্ৰণৱ গোস্বামী। বন্তি প্ৰজ্বলন কৰিব সৰুসত্ৰৰ সত্ৰাধিকাৰ যোগেশ্বৰ মহন্তই। ৭ বজাত সম্বৰ্ধনা অনুষ্ঠান। ৯ বজাত সাংস্কৃতিক অনুষ্ঠানত সংগীত পৰিৱেশন কৰিব কণ্ঠশিল্পী পাৰ্থ প্ৰতীম বৈশ্যই। ১৫ মাৰ্চৰ পুৱা আবিৰৰ অনুষ্ঠান, আবেলি ১-৩০ বজাত নগৰত গোঁসাইৰ পৰিভ্ৰমণ, ২ বজাত গোঁসাইৰ বিবাহ আৰু কৃষ্ণ ভোগ বিতৰণ। ২-৩০ বজাত টেলুৰৈ বাহত বগোৱা আৰু পঞ্চমৃতৰ টেকেলি ভংগ খেল। ৩ বজাত বাহভঙা খেল প্ৰতিযোগিতা। উদ্বোধন কৰিব মন্ত্ৰী পীযুষ হাজৰিকাই। সভাপতি দৌল উদ্যাপন সমিতিৰ উপ-সভাপতি ভৰেশ দাস, মুখ্য অতিথি প্ৰাইড ইষ্ট এন্টাৰটেইনমেণ্টৰ চি এম ডি ৰিণিকী ভূঞা শৰ্মা আৰু নিমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকিব কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ। সন্ধিয়া ৫ বজাত পতাকা অৱতৰণ। দৌল মহোৎসৱৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি উদ্যাপন সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

## ডিব্ৰুগড়ত সদৌ অসম গৰিয়া-মৰিয়া-দেশী-জাতীয় জাতীয় পৰিষদৰ ২০২৫-২৭ বৰ্ষৰ নতুন জিলা সমিতি গঠন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ দ্বিবাৰ্ষিক সাধাৰণ সভাখনি ১৯-০২-২০২৫ তাৰিখে স্থানীয় ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আলহজ্ব চৌকত আলিৰ কালাম পাক তিলাৱত আৰু দোৱাৰে আৰম্ভ কৰা সভাখনিৰ আঁত ধৰে বুলবুল ৰহমানে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাছিৰ চুলতানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত ২০২৫-২০২৭ বৰ্ষৰ বাবে বিভিন্ন বিষয়ববীয়া আৰু সদস্যৰে নতুনকৈ এখনি শক্তিশালী জিলা সমিতি গঠন কৰা হয়। সেই অনুযায়ী সভাপতি-ৰহিমুল হুছেইন, কাৰ্যকৰী সভাপতি-ৰাইহান জুবেইৰী, উপ-সভাপতি-ক্ৰমে নৌছাদ আলী আহমদ, কমৰুজ জামান, ছাহিদ লতিফ, ছফিউল বৰা, সম্পাদক- ইয়াকুব আলি, সহকাৰী সম্পাদকত্ৰয় ফৰিদ আহমেদ, আব্দুল হাদি, আমজেদ আলি, ধনভৰলী-ৰুবুল হুছেইন, সাংগঠনিক সম্পাদকত্ৰয় নাজিম উদ্দিন আহমেদ, ইউনুছ আলি আহমেদ, মফিজুল ৰহমান, সাংস্কৃতিক সম্পাদকদ্বয়-মুকুল আহমেদ, আদিব আলি। জনগোষ্ঠীয় সম্পাদকদ্বয়-চামছুদ্দিন আহমেদ, মফিজুৰ ৰহমান, প্ৰচাৰ সম্পাদকদ্বয়- নিপো আহমেদ, মাহমুদুৰ ৰহমান। ইয়াৰ উপৰিও জিলাখনৰ বিভিন্ন অঞ্চলক সামৰি ১১ (এঘাৰ)জনকৈ কাৰ্যকৰী সদস্য নতুন সমিতিখনত অন্তৰ্ভুক্ত হয়। সভাত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ উপ-পঞ্জীয়ক আলহজ্ব জেহিৰউদ্দিন আহমেদ, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰুবুল আলি, কেন্দ্ৰীয় প্ৰতিনিধি টকিউৰ ৰহমান আদিয়ে তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়ায়।

## ডিব্ৰুগড়ৰ তিনিগৰাকী নাৰী লেখকৰ দৃষ্টিৰে কানৈ মহিলা মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ অসমীয়া নাৰীৰ সামাজিক স্থিতি ঃ ডিব্ৰুগড়ৰ তিনিগৰাকী নাৰীলেখকৰ দৃষ্টিৰে' শীৰ্ষক এক বক্তৃতানুষ্ঠান ১৮-২-২৫ তাৰিখে সম্পন্ন হৈ যায়। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপ জ্যোতি ভৰালীয়ে আৰু আদৰণি ভাষণ দিয়ে বিভাগৰ মুৰব্বী অনিৰুদ্ধ দত্তই। মূল বক্তৃতা প্ৰদান কৰি তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক তথা বিশিষ্ট লেখক ড° সঞ্জীৱ পল ডেকাই কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ ডিব্ৰুগড়ৰ তিনিগৰাকী নাৰী লেখকৰ গদ্যৰ বিশেষ উল্লেখনেৰে সমকালীন অসমত নাৰীৰ সামাজিক অৱস্থান বিশ্লেষণ কৰে আৰু ইবোৰৰ আঁৰত থকা প্ৰেক্ষাপট সম্পৰ্কে সাৰগৰ্ভ আলোচনা আগবঢ়ায়। অনুষ্ঠানত ড° সন্ধ্যা দেৱী, প্ৰসেনজিৎ চৌধুৰী , ড° গায়ত্ৰী দেৱী গোস্বামী, ড° অঞ্জু বৰাকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি, মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰী উপস্থিত থাকে। বক্তৃতাৰ শেষত সমল ব্যক্তিৰে সৈতে উপস্থিত ব্যক্তিসকলে মত বিনিময় কৰে। অনুষ্ঠানটিৰ আঁত ধৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° চন্দন জ্যোতি চুতীয়াই।

সত্যমেব জয়তে

অসম চৰকাৰ
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

# ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী

## ভূমি ৰাজহ সম্পৰ্কীয় আপীল গোচৰ পৰিচালনাৰ ডিজিটেল প্লেটফৰ্ম



এতিয়াৰে পৰা জনসাধাৰণে ৰাজহ আদালতত ভূমি সম্পৰ্কীয় আপীল গোচৰৰ জৰিয়তে সমস্যাসমূহ সমাধানৰ বাবে ডিজিটেল মাধ্যমেৰে আবেদন কৰিব পাৰিব। এনে গোচৰসমূহ সহজে পৰিচালনা কৰাৰ বাবে অসম চৰকাৰে লৈ আহিছে ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী নামৰ এক বিশেষ ডিজিটেল প্লেটফৰ্ম

### সুবিধাসমূহ

- ঘৰৰ পৰাই গোচৰ পঞ্জীয়ন আৰু অনুসৰণ
- স্বয়ংক্ৰিয়ভাৱে গোচৰ অনুসূচিতকৰণ আৰু শুনানিৰ জাননী সৃষ্টিকৰণ
- নথি-পত্ৰৰ সংৰক্ষণ আৰু পৰিচালনা
- আদালতৰ ৰায় আৰু আদেশসমূহৰ সংৰক্ষণ
- গোচৰ বিলম্ব, নিষ্পত্তিকে ধৰি মুখ্য বিষয়সমূহৰ সন্দৰ্ভত প্ৰতিবেদন আৰু বিশ্লেষণ

আবেদনৰ বাবে তথা অধিক জানিবলৈ চাওক **rccms.assam.gov.in**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# কৰ্কটৰোগ বিশেষজ্ঞ ডাঃ বিকুল দাসৰ প্ৰচেষ্টাত অসমত সৰ্বপ্ৰথম জনকেন্দ্ৰিক ডিজিটেল স্বাস্থ্য এপ মুকলি

## উপকৃত হ'ব গ্ৰামাঞ্চলৰ কৰ্কটৰোগত আক্ৰান্ত গৰীৱ জনসাধাৰণ ঃ ডাঃ বিকুল দাস




**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছিৰ কবিকৃষ্ণ দূৰ চিকিৎসা সেৱা কেন্দ্ৰৰ প্ৰতিষ্ঠাক কৰ্কটৰোগ বিশেষজ্ঞ ডাঃ বিকুল দাসৰ প্ৰচেষ্টাত কেন্দ্ৰৰটিৰ ত্ৰিশ বছৰ পূৰ্ত্তি উপলক্ষে এটি ডিজিটেল স্বাস্থ্য সেৱা এপ মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত সভাত এপটি মুকলি সন্দৰ্ভত পাতনি মেলি ডাঃ বিকুল দাসে কয় যে, অসমত সৰ্বপ্ৰথম জনকেন্দ্ৰিক ডিজিটেল স্বাস্থ্য কেন্দ্ৰ মুকলি কৰি গ্ৰামাঞ্চলৰ স্বাস্থ্যখণ্ডত এক নতুন যুগৰ সূচনা কৰা হয়। কৰ্কট সেৱা আৰু গ্ৰাম্য স্বাস্থ্য সেৱাৰ প্ৰতি আগবঢ়োৱা ত্ৰিশ বছৰৰ এক অঙ্গীকাৰ যাত্ৰা। তেওঁ পুনৰ কয় যে, বিগত তিনিটা দশক ধৰি শুৱালকুছিস্থিত কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাই কৰ্কট ৰোগত আক্ৰান্ত ৰোগীসকলৰ অত্যাৱশ্যকীয় স্বাস্থ্য সেৱা প্ৰদান কৰি আহিছে। যাৰ ভিতৰত বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ, ৰোগীৰ দূৰ নিৰিক্ষণ, স্বাস্থ্যবিধিৰ পৰ্যবেক্ষণ অন্যতম। অসমৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰি অহা শুৱালকুছি-হাজোৰ তাঁতী সমাজ আমাৰ এই যাত্ৰাৰ এক অন্যতম অংগীকাৰ। গ্ৰাম্য স্বাস্থ্যখণ্ডত এক মাইলৰ খুঁটি স্থাপন কৰি কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাই মুকলি কৰিলে প্ৰথম এ আই চালিত ডিজিটেল স্বাস্থ্য এপ 'কবিকৃষ্ণ হিলআৰ্ট'। গ্ৰাম্য স্বাস্থ্যখণ্ডত ডিজিটেল স্বাস্থ্য তথ্য সংৰক্ষণ, ৰোগীৰ দূৰ নিৰিক্ষণৰ লগতে ৰোগী আৰু স্বাস্থ্যকৰ্মীৰ মাজত অবিৰত সংযোগ বৰ্তাই ৰাখি স্বাস্থ্যখণ্ডত এক বৈপ্লৱিক দিগন্ত সূচনাৰ উদ্দেশ্যে কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাই অসমীয়া মূলৰ চিলিকন ভেলিচটেক লিভাৰ 'open AI' ত কৰ্মৰত ধ্ৰুৱ বৰঠাকুৰ আৰু 'মাইক্ৰচফ্‌ট'ত কৰ্মৰত মানস গোস্বামীৰ সহযোগত এই এপটি নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰে গৱেষক চিকিৎসক গৰাকীয়ে। শুৱালকুছি- হাজো অঞ্চলৰ কৰ্কট ৰোগীসকলক কেন্দ্ৰটিৰে প্ৰদান কৰি অহা বিগত ত্ৰিশ বছৰৰ স্বাস্থ্য সেৱাৰ অভিজ্ঞতাৰ ভিত্তিতেই এই এপটি মুকলিৰ ব্যৱস্থা কৰা হৈছে। উন্নত প্ৰযুক্তিৰ গ্ৰাম্য স্বাস্থ্য সেৱাৰ সৈতে সমন্বয় কৰি 'কবিকৃষ্ণ হিলআৰ্টে' গ্ৰাম্য স্বাস্থ্য সেৱাত এক দৃষ্টিভংগী পৰিৱৰ্তনৰ প্ৰতিনিধিত্ব কৰিব যিয়ে অবিৰত স্বাস্থ্য যত্ন, স্বাস্থ্যৰ পূৰ্ণ পৰীক্ষণ আৰু উন্নত স্বাস্থ্য নিশ্চিত কৰিব। চিকিৎসকগৰাকীয়ে পুনৰ কয় যে, এই এপটোৱে শুৱালকুছি আৰু হাজোৰ লগতে সমগ্ৰ অসমৰ গ্ৰাম্য সমাজৰ প্ৰতি থকা দীঘলীয়া অঙ্গীকাৰবদ্ধৰ এয়া এক স্বাভাৱিক সম্প্ৰসাৰণ। গোলকীয় সুযোগৰ সৈতে স্থানীয় স্বাস্থ্যসেৱাৰ প্ৰয়োজনীয়তাসমূহ একত্ৰিত কৰি এই 'হিলআৰ্ট' এপটোৱে গ্ৰামাঞ্চলৰ স্বাস্থ্য সেৱাৰ এক নতুন সংজ্ঞা প্ৰদান কৰিবলৈ সাজু হৈছে আৰু ই অঞ্চলসমূহৰ বাবে এক আদৰ্শ হ'ব। অনুষ্ঠানত হেমভাই উপস্থিত থাকি স্বাস্থ্য সুৰক্ষিত ৰখাৰ সন্দৰ্ভত কিছু কথা উল্লেখ কৰে। তেওঁ গীতা সৰ্বশ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ বুলি উল্লেখ কৰি গীতাৰ কেইবাটিও কথা উল্লেখ কৰে । তেওঁ কয় নদীয়ে পানী নাখায়, গছে ফল নাখাই আৰু গৰুৱে গাখীৰ নাখায়। ইহঁতে মাত্ৰ দিয়েহে। ঠিক কোনোৱা মানুহে আনক উপকাৰ কৰি নিজক বিলিন কৰি দিয়াজন সচাকৈয়ে এগৰাকী দেৱদূত সদৃশ। ডাঃ বিকুল দাসো সুদুৰ আমেৰিকা এৰি শুৱালকুছিত ৰাইজৰ সেৱা আগবঢ়াই থকাটো এক লেখত ল'বলগীয়া। লেখিকা পাঠকে আঁত ধৰি উক্ত এপটি কি দৰে ৰাইজে মুকলি কৰিব তাক বহলাই কোৱাৰ লগতে প্ৰথম অৱস্থাত ইতিমধ্যে যিসকল ৰোগী কেন্দ্ৰটিত পঞ্জীভুক্ত হৈ আছে তেওঁলোকহে এই এপৰ সুবিধা লাভ কৰিব। নিজৰ ম'বাইল নম্বৰৰে এপটো মুকলি কৰাৰ পিছত ৰোগীগৰাকীলৈ এটা অটিপি আহিব। তাৰ পিছত ৰোগী গৰাকীৰ সকলো তথ্য আপলোড কৰিব পাৰিব আৰু তেওঁ এপটোত পঞ্জীভুক্ত হ'ব। পঞ্জীভুক্ত হোৱাৰ পিছত স্বাস্থ্য সম্পৰ্কীয় সকলো তথ্য, চিকিৎসকৰ লগত পোনপটীয়া যোগাযোগ আদিৰ সুবিধা লাভ কৰিব। তেওঁ এপটি ব্যৱহাৰ সন্দৰ্ভতো বিস্তৃতভাৱে উল্লেখ কৰে। অনুষ্ঠানত কেলিফৰ্ণিয়াৰ গৱেষক ধ্ৰুৱ গোস্বামী, বিশিষ্ট চিকিৎসক ৰিতুৰাজ কলিতা, এইমছৰ চিকিৎসক দীপজ্যোতি কলিতা, ডাঃ সঞ্জীৱ ৰাও, অনলাইন যোগে গৱেষক চিকিৎসক মানস গোস্বামী, শান্তি সাধনা আশ্ৰমৰ হেম ভাই, শ্ৰীশ্ৰীহাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ উজ্বল মহন্ত প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত নাট্য সন্মিলনৰ সভাপতি তথা বিগত ১৫ বছৰে কৰ্কট ৰোগত আক্ৰান্ত অৰূপ বৰঠাকুৰে ৰোগৰ পৰা পৰিত্ৰাণ পোৱাৰ কিছু আভাস দাঙি ধৰি ইয়াৰ বাবে ডাঃ বিকুল দাসক ধন্যবাদ জনায় কয় যে তেওঁ শুৱালকুছিৰ মুগাশিল্পৰ ওপৰত এখন ছবি নিৰ্মাণ কৰিব। এই সন্দৰ্ভত সবিশেষ জানিবলৈ ৯৪০১৬-৪৫৮০৬ বা ৭৬৩৬৮-০৬১৪৭ নম্বৰত কৰ্কটৰোগত আক্ৰান্তসকলে যোগাযোগ কৰিব পাৰিব বুলি কেন্দ্ৰটিৰ পৰা জানিবলৈ দিছে।

# আঁৰকাপোৰ নাট্য উৎসৱত ছিজিজি থিয়েটাৰৰ 'উপহাৰ'



**অ**সমৰ আগশাৰীৰ নাট্যানুষ্ঠান আঁৰকাপোৰে ২০১৮ চনত প্ৰথমবাৰৰ বাবে আয়োজন কৰা আঁৰকাপোৰ নাট্য উৎসৱটি ছয় বছৰ অতিক্ৰমি যোৱা ৮ আৰু ৯ ফেব্ৰুৱাৰীত সপ্তমবাৰৰ বাবে সফলতাৰে সমাপন হ'ল। এই বেলি এই নাট্য উৎসৱটি আঁৰকাপোৰৰ নৱ-নিৰ্মিত আঁৰ কাপোৰ অন্তৰংগ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ৮ ফেব্ৰুৱাৰীত সন্ধিয়া ৬ বজাৰ লগে লগে আঁৰকাপোৰৰ নব-নিৰ্মিত অন্তৰংগ প্ৰেক্ষাগৃহটিৰ ফিটা কাটি প্ৰৱেশদ্বাৰ মুকলি কৰে অৰ্জন চন্দ্ৰ কুমাৰে। বন্তি প্ৰজ্বলন কৰে আঁৰকাপোৰ নাট্য উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাই, মঞ্চ উদ্বোধন কৰে বিশিষ্ট পৰিচালক নয়ন প্ৰসাদে। ৭.৩০ বজাত ছিজিজি থিয়েটাৰে পৰিৱেশন কৰে ভৰত চুতীয়াৰ ৰচনাৰে 'উপহাৰ'। কাহিনীটো কয়লাখনিত কৰ্মৰত এহাল দম্পতীৰ জীৱনৰ ওপৰত কেন্দ্ৰীভূত। বহুদিনৰ পৰা তেওঁলোকে ভয়াৱহ কঠিন পৰিস্থিতিৰ পৰা আঁতৰি এটা উন্নত জীবন গঢ়াৰ আশা কৰে। দৈনন্দিন জীৱনত সংঘটিত সংঘৰ্ষৰ মাজত তেওঁলোকে সুখ আৰু দুখৰ মুহূৰ্তবোৰৰ মাজেৰে নিজৰ সপোনৰ পম খেদি বাট বুলিবলৈ তেওঁলোকৰ অপূৰ্ব জীৱন উপহাৰ প্ৰদান কৰাৰ দুৰ্বাৰ হেঁপাহ। কয়লাখনিৰ বাস্তৱ জীৱনটোক উপস্থাপন কৰিছে। নাটকখনত বাবী বৰুৱা আৰু ভৰত চুতীয়াই স্বামী-স্ত্ৰীৰ চৰিত্ৰত সুন্দৰ অভিনয় কৰে। নাটখনৰ সংগীত অজয় মেচ, সহকাৰী সুভাংগী কেওট, পোহৰ শিৱম শইকীয়া আৰু পৰিচালনা ভৰত চুতীয়া আৰু বাবী বৰুৱাৰ।

# শিমলু দেশলৈ পৰিণত লাওখোৱা অভয়াৰণ্য



**গোলাম ৰাব্বানী, জুৰীয়া ঃ** আৰম্ভ হ'ল শিমলুদেশত শিমলু উৎসৱ ২০২৫। শিমলু উৎসৱৰ অংশ হিচাপে কৰা হ'ল চাইক্লিঙৰ ব্যৱস্থা। শাৰী শাৰী কৈ থকা ৰঙা শিমলুৰ নৈসৰ্গিক পৰিৱেশে এতিয়া অভয়াৰণ্যখনলৈ হাত বাউল দি মাতিছে পৰ্যটকক। প্ৰকৃতিৰ এক অতুলনীয় বৈচিত্ৰময় পৰিৱেশে বিৰাজ কৰিছে লাওখোৱা অভয়াৰণ্যত, চাৰিওফালে কেৱল ৰঙা ৰঙা ৰঙা। পৰ্যটকৰ আকৰ্ষণৰ বাবে আয়োজন কৰা শিমলু উৎসৱৰ অংশ হিচাপে লাওখোৱা অভয়াৰণ্যৰ বৰুণগুৰি বন শিবিৰ এলেকাৰ পৰা দন্দুৱা বন শিবিৰ এলেকালৈ প্ৰায় ১০ কি:মি: ৰঙা শিমলুৰ নৈসৰ্গিক পৰিৱেশৰ মাজত কৰিছে চাইক্লিঙৰ ব্যৱস্থা। লগতে ছাত্ৰ-ছাত্ৰী মাজত অনুষ্ঠিত কৰিছে প্ৰকৃতিৰ অভিমুখিতাৰ ওপৰত বিশেষ অনুষ্ঠান। প্ৰদৰ্শন কৰা হ'ল পানী মেটেকাৰে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী। শিমলু উৎসৱত নগাঁৱৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন সংস্থাই অংশ লোৱা পৰিলক্ষিত হয়। ইয়াৰ উপৰি উক্ত অনুষ্ঠানত উপস্থিত থাকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালিকা সোণালী ঘোষৰ লগতে নগাঁও জিলা বন সংমণ্ডল বিষয়া ৰাজীৱ হাজৰিকা।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা